শ্রী ধ্রুব শর্ম্মা

অঞ্জলি।

(কবিতা)

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা প্ৰণীত।

ডিব্ৰুগৰৰ পৰা

শ্ৰীশিৱনাথ ভট্টাচাৰ্য্যৰ দ্বাৰাই

প্ৰকাশিত।

তৃতীয় তাঙৰণ।

১৮৪৮ শক।

বেচ দশ অনা।

নিৰ্ঘণ্ট।

বিষয়।	পিঠি
জীৱন	১
বিজনি	২
ভিতৰ	৪
সীতা-সয়ম্বৰ	৪
আকৌ	৫
ফুল-কুঁৱৰী	৬
নপোন	৮
কবি-প্ৰিয়া	৯
হিয়া	১২
জাগৰণ	১৩
মালতী	১৪
প্ৰণয় বাতৰি	১৫
তুমি দেৱ পাৰিজাত	১৯
অপ্সৰী	২২
গিৰি-কুমাৰী	২৪
মনৰ কথা	২৬

বিষয়।				পিঠি।
আশাৰ সপোন	...	...	...	২৭
যৌৱন	...	...	...	২৯
মইনা	...	...	...	৩০
কিবা যেন নাই নাই	...	...	...	৩১
সৌন্দর্য্য	...	...	...	৩২
সংসাৰী	...	...	...	৩৩
লাহৰী	...	...	...	৩৪
উৰণীয়া পখী	...	...	...	৩৫
দুৰাশা ...	...	...	...	৩৭
আক্ষেপ ...	...	...	...	৩৯
বলিয়া ...	...	...	...	৪১
মোৰ প্ৰেম	...	...	...	৪৫
চিত্ৰ ...	...	...	...	৪৫
লাজুকী ...	...	...	...	৪৮
হাঁহিটি ...	...	...	...	৫১
সাদৰী	...	...	...	৫২
প্ৰকৃতিলৈ	...	...	...	৫৫
প্ৰতিদান	...	...	...	৫৬
প্ৰকৃতি কোলাত	...	...	...	৫৭
পুৰণি সপোন	...	...	...	৫৮
বাণীদেৱী	...	...	...	৬০

বিষয়।			পিঠি।
শকুন্তলা	...	...	৬৩
মাইকেল	...	...	৬৪
ৰাম মোহন	...	...	৬৫
চিত্ৰলেখা	...	...	৬৬
আকাশ	...	...	৬৭
মহাস্বপ্ন	...	...	৬৮
বসন্ত বিষাদ	...	...	৭১
স্বাৰ্থ	...	...	৭৪
জননী	...	...	৭৫
ল'ৰাকাল	...	...	৭৬
দুখকাৰী	...	...	৭৮
সেই মাতটি	...	...	৮০
ভুমুক	...	...	৮১
বিভোল	...	...	৮২
পুৰাণ স্মৃতি	...	...	৮৩
পৃথিৱী	...	...	৮৪
বিচ্ছেদ	...	...	৮৫
দেৱী	...	...	৮৬
জোনবাই	...	...	৮৭
কেতেকী	...	...	৮৯
ভাৰত জননী	...	...	৯১

বিষয়।			পিঠি।
উমানন্দ	...	...	৯২
মানুহ	...	...	৯৩
আত্মা	...	...	৯৫
আশা	...	..	৯৬
ফুলক	...	...	৯৭
তৰা	...	...	৯৮
উষা	...	...	১০১
বন্ধুলৈ	...	...	১০৩
নব জীৱন	...	...	১০৪
দেহ আৰু মন	...	...	১০৫
প্ৰাণ	...	...	১০৬
নৈ	...	...	১০৭
সৰস্বতী	...	...	১০৭
শেহা নিশা	...	...	১০৯
দিনৰ সপোন	...	...	১১০
পুৰাৰা জগত	...	...	১১১
হেৰোৱা লাহৰী	...	...	১১২
বিদায়	...	...	১১৭
কৱিতা	...	...	১১৮
জগন্নাথ বৰুৱা	...	...	১২০

অঞ্জলি ।

জীৱন ।

দীঘল জখলা এই মানুহ-জীৱন,
খোপে খোপে উঠি আমি আহিছোঁ উধাই ;
নেজানো,—কিমান খোপ উঠিলেনো আৰু
পাম গই অনন্তৰ নিৰজন ঠাই ;
নাইবা, কিমান ওখ এই কালাধাৰ,
নতুবা নপৰে ওৰ অসীম অপাৰ ।

ঈশ্বৰে মায়া মাথোঁ,—তেওঁৰে সকলো,
ব্ৰহ্মাণ্ড-লীলাৰ এই অমিয়া সংসাৰ ;
যিদিনা লভিম গই এৰি অহা ঠাই
সিদিনাহে মায়া শেষ হ'ব আপোনাৰ ।
জানৰ জিৰণি নই, নইৰ সাগৰ,
অনন্ত জিৰণি মাথোঁ নৱ-জীৱনৰ ।

সকলো মানুহে গই লভিব ঈশ্বৰ,—
যিজনে সাজিছে এই মায়াৰ সংসাৰ ;
দেখা দিব নিজে তেওঁ যেতিয়া আপুনি
তেতিয়াহে পাম আমি জিৱণি আমাৰ ।
একে মন, একে প্ৰাণ, একে গঢ় মিলি,
একে স্বৰ্গ সাজি দুখ নাশিব সমূলি ।

——

ৰিজনি ।

—:০:—

সন্ধিয়াৰ সৰু তৰা লাহে লাহে নিজিলিকে,
পুৱা লয় নগ'লে পূবত .
ধাৰাসাৰ জীৱনতো একো দুখ নেথাকিলে
শান্তি গুণ নেথাকে সুখত ;
পূৰ্ণিমা জোনাক নিশা নুঠে নাচি মন প্ৰাণ
আঁউসীয়ে নথলে লুকাই ;
খৰালি ৰদ'ত যদি নেথাকে শুকাই ধৰা
বাৰিষাই নিদিয়ে ধুৱাই ;

নিমাত তাপত যদি মুশুকায় হাবি-বন
নাই শোভা বসন্ত-কুলিত ;
জনম-মৰণ গ'লে জীৱনৰ হাবিলাষ
নেথাকিব এই পৃথিবীত ;
নিয়ৰত একো ফুলে নধৰে নধৰে ঠন
দুপৰীয়া নপৰিলে জঁয় ;
সাদৰৰ স্বাৰ্থ ফেৰি নেথাকিলে মৰমত
সিও আৰু হ'ব তমোময় ;—
লাগ বুলি পালে যেনে একোতে নেথাকে ৰাপ,
সেয়ে—যদি পাই বিচৰাটো ;
টোকা নাই চকু-পানী এদিনো বেজাৰ পাই
তাৰ তৃপ্তি নাই মৰমতো ।

ভিতৰ।

মনে কৰে ছিঙো যেন গছৰ গোলাপ,
ছিঙিলে সিমান কিন্তু নেলাগে সন্তোষ;
তেনেকৈয়ে মনোহৰ বাহিৰ পদূলি,
ভিতৰ সোমালে পাবা পৰিমাণে দোষ।

বাহিৰে দেখিবা ঘৰ জক-মক্ কৰে,
সোমাহি সোমাহি বুলি মাতিছে ঠাৰত;
তেনেই পাহৰি যাবা পালেহি ভিতৰ,
আগৰ জেউতি আৰু নৰ'ব মনত।

সীতা-সয়ম্বৰ।

হৰধনু ভাঙ্গি ৰামে সীতাক লভিলে,
উঠিল গৌৰৱ-বাণী ৰাজ-সমাজত,
জয় জয় শব্দ দিলে অন্তেষপুৰত,
সীতাক সম্বাদ তাৰ দূতী আহি দিলে।

ভানুমতী সখীয়েকে বুলিলে বচন,—
'স্বামী পালা সীতা তুমি কত তপ কৰি,
বজ্রময় হাত দুটি ধনু ভাঙ্গে ধৰি ;'—
শুনি হাঁহি জানকীয়ে ঘূৰালে বদন।

লাজ পাই সখীয়েকে মাতিলে আকউ,—
'কিয় কৰা সীতা দেখি, বিষাদ মনত,
নহয় ৰামৰ হাত শিলৰ নিচিনা,
যেনে লাগে তেনে হয় কাৰ্য্যৰ গুণত।
ৰ'দত পৃথিবী ফাটি হয় ছিটাছিট,
কোমল পদুমো কিন্তু ৰ'দৰে নিৰ্ম্মিত।'

আকৌ।

—:•:—

স সাৰ মহিমা চোৱাঁ কেনে বিতোপন,—
যেনি চোৱাঁ তেনিয়েই স্বৰ্গীয় মিলন ;
ডাৱৰত বিজুলীয়ে নিজে মোহ গই
কেতিয়াবা চকুমেলি চায় তললই ;

টিমিকি-টিমিকি সেই চন্দ্ৰৰ পোহৰ
বিস্তাৰি নিজৰ তেনে শোভা মনোহৰ
তাকো ভেদি পৰে আহি এই জগতত,—
ইমান দুয়োৰ প্ৰেম দুয়োৰ মনত।

ৰাৰেপতি ৰাগি দিওঁ তাকেই এবাই,
সিয়েই উলটি আহি ধৰেহি মেৰাই;
ইমানতো নুবুজিলোঁ তাৰ দুখ-সুখ,
নেচালোঁ এবাৰো তাৰ মধুময় মুখ;
নাহিবি নাহিবি বুলি বাৰে বাৰে কওঁ
নুশুনিলে হাক মোক ধৰিলে আকউ।

ফুল-কুঁৱৰী।

—:•:—

শুৱাই ফুলনি খনি ঠন ধৰি ধৰি,
দেখা দিলে ফুলে আহি বসন্ত কালত,
লাহ ধৰা ফুল মোৰ জোনৰ নিচনা
প্ৰকাশ কৰিছে চোৱাঁ নীল আকাশত।

এনেই ফুলিছ ফুল, কোনে আহি তোক
তুলিলহি পিন্ধিবহি শুৱনি খোপাত ?
পাৰ যদি জাপ মাৰি উঠ গৃৱল'ই
তেহে ফুল মিল তই যাবি আপোনাত।

নমজে বতাহ তোৰ লাৱণ্য মধুত,
সুমুঙে কোনেও তই গোন্ধত অসাৰ ;
জঁাটলী মাৰৰ তই জঁটলা চুলিত
কেনেই লুকাই থৱ ৰূপ আপোনাৰ ?

আহ হেৰ ফুল মোৰ, নিচেই আজলী,
বহ মোৰ কোলাখন শুৱাই পৰক,
ধৰ মোক, ধৰ তই, গোন্ধেৰে সাৱটি,
জলি থকা হিয়া মোৰ তোতেই জুৰক।

———

সপোন।

নীলৰ মাজেদি বিৰিঙ্গিছে ৰঙ্গা আঁহ,
মাৰ যায় সূৰ্য্যদেৱ লোহিত-মোহিত,
পচিম আকাশ খনি গোটেই ৰাঙলী
সন্ধিয়া বেলিকা, আহা কিনো আচৰিত।

বহল পথাৰ খনি যাঁহেৰে শুৱনি,
বলিছে ওপৰে তাৰ মৃদু সমীৰণ;
ৰাঙলী শ্যামলী দুয়ো ওপৰ তলত
বিস্তাৰিছে আপোনাৰ বিদায় কিৰণ।

হেপাহেৰে আছোঁ চাই পচিমৰ পিনে—
কতনো দুৰাশা মোৰ উদিছে মনত,
দেখিছোঁ তাতেই যেন বিশ্বৰ মূৰতি,
উদিছে ভক্তিৰ ভাৱ মোৰ হৃদয়ত।

এনে সময়তে যেন কোমল মাতেৰে
মাতিলেহি কোনোবাই আহি ওপৰত,
কোন বুলি মূৰ দাঙ্গি লৰা-লৰিকৈ
চাওঁমানে অন্তৰ্হিত হ'ল বতাহত।

চাওঁতেই পালোঁ সাৰ, নাহিল টোপনি,
ভাবিলোঁ ইটোনো বাৰু কেনুৱা সপোন,
মাত মাতি বতাহত কিয়নো লুকাল,
চাওঁমানে তিলমানো নৰ'ল দেখোন।

কবি-প্ৰিয়া।

নেলাগে তোমাৰ মোক একোকে, লাগেহে
চাবলই হাঁহিটি ওঁঠৰ,
নেলাগে মাতিব মোক শুনো যদি মই
মিঠা মাত কোমল মুখৰ।

দেখোঁ যদি বতাহত নচা ঠেৰে ঠেৰে
গোৱা যদি কুলিৰ মাতত,
সকলোতে সেও হই যদি খোজ কাঢ়া
ডাৱৰৰ গহীন খোজত।

নেলাগে চাবও মোক চোৱা যদি তুমি
প্ৰকৃতিৰ ছবি সৰহীয়া,
নেলাগে কৰিব একো মোৰ বাবে তুমি
কৰা যদি কৰিব-লগীয়া।

শুই উঠি চোৱা যদি সৰু সৰু তৰা
মাৰ যোৱা আকাশৰ গাত,
পুৱা বনৰীয়া ফুল ছিঙোতে ছিঙোতে
নিয়ৰত তিতে যদি হাত।

লোৱালপা বতৰৰ ৰ'দ পৰি যদি
বোল ধৰে নিমজ গালত,
নিৰজু বতাহে যদি মচি দিয়ে ঘাম
ছাঁ দিয়ে ভাৰৰে তাপত।

কৌচ খাই পৰে ছাঁটি যেতিয়া গছৰ
দুপৰীয়া থিয় ৰ'দ পাই,
দূৰণিত একেষাৰ চৰাই গীতত
টৰ লাগি থাকা যদি চাই।

জিৰোৱা ভাগৰ লাগি ফুলনি তলত
সৰে যদি এটি ফুলো গাত ;—
পৰি যোৱা তাৰে যদি পাওঁ এটি পাহি
সেয়ে মোৰ দেৱ-পাৰিজাত ।

সন্ধিয়া নেথাকা যদি ভিতৰ সোমাই
চোৱা য'দ বেলিৰ মেলানি ;
নিশা চোৱা ব্ৰহ্মাণ্ডৰ অতীত বুৰঞ্জী
ওপৰৰ পিনে মূৰ দাঙ্গি ।

যায় যদি উৰি চুলি, ৰিহাৰ আঁচল,
শীতল পচোৱা বতাহত,
চোৱা যদি ঘৰমুৱা গৰুৰ চাপলি,
গৰখীয়া এছাৰি হাতত ।

বৰষুণ শুনি যদি টোপনি অহোৱা
নিঘিণোৱা থুকুহি বিজুলী,
ধুমুহাত তুমি যদি যাব খোজা উৰি,
নিৰভয়ে ফুৰা বাট বুলি ।

সেয়েই সকলো বিশ্ব-মিলনৰ চিন,
নেলাগে বিশেষ দেখুৱাব,
কেৱল ফুৰিবা তুমি প্ৰকৃতি লগত,
প্ৰকৃতিয়ে সকলো শিকাব।

———

হিয়া।

—•—

মোৰ এই বুকু খনি ছবিৰ ভঁৰাল,
ছবি তোলা পেৰা,—ততালিকে ৰয় এটি
হিয়াত পৰিলে ছঁয়া,—মনমোহা চাব।
নহ'লে কিয়নো বাৰু সেই দিনা দেখা
এখনি আকৃতি,—ইমানৰ ভিতৰত,—
আউলি-বাউলি চুলি, ফুলি পৰা ভাৰ,
হহাঁ মুখ, গাৰ ঠেও, চকুৰ ভাঙ্গতি,
নেপাহৰোঁ,—বহি ল'লে হিয়াৰ মাজত।

তুটি এটি ৰঙ্গা ফুল, আলসুৱা মাত,
দেখিছিলোঁ, শুনিছিলোঁ, পাহৰিলো তাকো,
এতিয়াও তাৰ সেই পুৰণি চিন্তাত
আঁউজিলে জুৰ বাই ভুলায় মনকো ;
মন মোৰ চ'ৰা ঘৰ ছবিৰে সজোৱা,
তাত থকা বহু চিত্ৰ উৰি যায় যায় ;
কিন্তু হ'লে এই ছবি একো নাই হোৱা
বহুদিন,— বহুদিন উৰিও নেযায় ।

জাগৰণ ।

যিদিনা পোনেই দেখোঁ,—অলপ গহীন,
আধা ফুলা·আধা হাঁহি বিৰিঙ্গে ওঁঠত,
চকুত চিনাকি খোজা পাইছিলোঁ চিন,
আছিল মাধুৰী কিবা ভৰিৰ খোজত ;

নাছিল ওৰণি,—কৰা পূৰ্ণ জ্যোতি হীন
পূৰ্ণিমাতো আকাশৰ ৰাহুৰ আঁৰত,—
এতিয়া সকলো গ'ল, নতুন আকৃতি,
নৱ-সাজ, নৱ-গুণ জলিছে দেহত।

কথা কবল'কে ভয়, লাজুকী প্ৰকৃতি,—
ৰঙ্গচুৱা ওঁঠ-জুৰি,—ৰিহা আঁচলৰ
এমূৰ কামুৰি ধৰা,—চোৱা বেঁকা কৰি
ফুলা গোলাপৰ দৰে পাতৰ আঁৰৰ;
নৰা বয়সৰ ভাৱ আছিলোঁ পাহৰি,
পালোঁ ভাৱ, কিন্তু ঠাই নাই ৰাখিবৰ।

মালতী।

সন্ধিয়াৰ ৰঙ্গা বেলি মাৰ যায় যায়,
কামাখ্যাৰ পিচ পিনে প্ৰকৃতি-কোলাত,—
শোভিছে পৰ্ব্বতে, যেনে শোভে তিৰোতাই
ফুল পিন্ধি পিচ পিনে ধুনীয়া খোপাত।

নাও খান যায় উটি সোঁতৰ লগত,
নিজৰ ছঁয়াটি পানী ধাৰত কঁপাই,
গই গই নাও খনি কামাখ্যা ঘাটত
বান্ধিলেহি পৰ্ব্বতৰ ওচৰ চপাই।
আছেহি আঁউজি বগা খুটাত ঘাটতে
মালতী, কলহ লই কোমল কাষত,
উটুৱাই দিছে—বহি চকু থই তাতে—
বনৰীয়া ফুল ছিঙি সোঁতৰ লগত;
আকাশ ঢাকনী সৰি পৰিল তলত,—
ওপৰ মুকলি হ'ল তল আন্ধাৰত।

প্ৰণয় বাতৰি।

—:•:—

গাৱঁৰ মূৰত থকা বিলৰ মাজত,
কত ফুল ফুলে আৰু তাতে মাৰ যায়,—
কোনে শুনে, কোনে কয় তাৰ ইতিহাস?
নাচি হাঁহি আপুনি লুকায়!

এদিন পাৰতে তাৰ অৰুণ পমিলা
দুয়ো সাজিছিলে মেজি লৰা বয়সত ;
বয়স হ'লতো দুয়ো তাৰ পাৰতেই
বহিছিলে গধূলি জুৰত ।

সাধু-কথা সাজি-পাৰ কত পমিলাক
কইছিলে মৰমেৰে অৰুণে তেতিয়া,
শুনিছিলে পমিলাই শলাগি-শুলাগি
পান কৰি সাৰ্দাৰ অমিয়া ।

আমনি লাগিলে দুয়ো একেটি সুৰতে,—
স্বৰ্গীয় শুৱলা আৰু কোমল মাতৰ,—
নাই তাল, নাই মান, বহুগীত গাই,
প্ৰকৃতিকো তোষে ওচৰৰ ।

দিনতো ঘৰত আহি দুয়ো ভাবি থাকে,—
কিহেৰেনো সিজনক তুষিব পাৰিব,
কেতিয়া গধূলি হয়, বিলৰ পাৰত
দুয়ো গই বহিব পাৰিব ।

নিশা পমিলাই মাথোঁ দেখে অৰুণক
সাধু-কথা কই থকা পাৰত বিলৰ ;—
মাজে মাজে একোবাৰ সাৰটি নিজৰ
পৰিচয় দিয়া মৰমৰ।

অৰুণৰ চিন্তা মাথোঁ কেতিয়ানো আহে,
মেজ সাজিবৰ কাল বিলৰ দাঁতিত,
কেতিয়া পদুম ফুলে, বেলি-সূতা আনি
পমিলাৰ পিন্ধায় ভিঙিত।

দুইৰো বয়স হ'ল, চেনেহো বাঢ়িল,
কিয়নো দুইকো দুয়ো এনে ভাল পায়,
যদিও প্ৰেমতে কিন্তু প্ৰেমৰ বিলত
নামিছেনে তাকো জনা নাই।

নেজানে লেখিব প্ৰেম-কাব্য পমিলাই,
নেজানে লেখিব চিঠি লনি কথা কই ;
এবাৰ মুখৰ চিনে চকুৰ সঙ্কেতে
দুজানো চিঠিৰ কথা কয়।

অস্ত গ'ল সূৰ্য্যদেৱ পচিম পিনে দ,
পমিলা পদুম লয় পালে প্ৰকৃতিত,
আন্ধাৰে পেলালে ছেদ অৰুণ পলাল ;
লীলা-খেলা সকলো অতীত ।

আহে যায় মাঘ বিহু আগৰ দৰেই ;
ৰ'দ-কাঁচিয়লি জলে পদুম-পাতত,
ফুলৰো সুগন্ধ বয় সান্ধিয়া বায়ুত
ম'হ যুঁজো পাতে ওচৰত ।

হাবি উঁই-হাফলুৰে ছাটিলে তেনেই
এতিয়া সকলো চিন গ'ল তেতিয়াৰ,
অৰুণ পমিলা আহি নেভাঙ্গে তবধ
যুগ-যুগান্তৰলৈ'কে তাৰ ।

কেৱল বিহুৰ দিনা প্ৰত্যেক বছৰে,
কতনো সাজত কত শত ভেষ ধৰি,
কোনে আহি স্নান কৰি, প্ৰকৃতি জগায়
গীত গাই প্ৰণয় বাতৰি !

গাৱঁৰ মূৰত থকা বিলৰ মাজত
কত ফুল ফুলে আৰু তাতে মাৰ যায়,
নুশুনে নভণে কেৱেঁ তাৰ ইতিহাস,—
নাচি-হাঁহি আপুনি লুকায়।

—

তুমি দেৱ পাৰিজাত।

ফুলিলা অকলশৰে,
হাবিৰ ফুলৰ দৰে,
তুলিবৰ মনে কেৱেঁ
নিনিছিলে হাত;
সমাজ-বান্ধনি ব'দ
নাই পৰা গাত।
পৰ্ব্বতৰ ওপৰত
নাচিছিলা উলাহত,
সংসাৰৰ মায়া মোহ

নাʼছিলে তোমাত ;
বসতি লʼলাহি দেৰি,
কিয়নো ইয়াত ?
শুনি জৰণাৰ গীত
তোমাৰ কোমল চিত
উঠিছিল পৰিছিল
ঠেৰে ঠেৰে তাত ;
তোমাৰ মুকুৰা নাই
পৰ্ব্বতীয়া বাট ।
সক নৈৰ ওপৰত,
চন্দ্ৰমাৰ পোহৰত,
ৰূপালী কিৰণ পৰা
দেখিছিলা তাত ;
শিলে ধৰি ফেন তোলা
শুনিছিলা মাত ।
গধূলি পাৰতে ৰই
গীত গোৱা অকলই,
প্ৰতিধ্বনি হাঁহি মাৰে
তোমাৰ কথাত ;

ভাবা যেন তোমাকেহে
দিছে কেৰেঁ মাত।
অকলই গাইছিলা,
য'তে ত'তে ফুৰিছিলা,
লভিছিলা নিজা সুখ
নিজে অ'পোনাত ;
মন গ'লে বহিছিলা
পৰ্ব্বতৰ ছাঁত।
কোনোবা কঠুৰা নৈয়ে
বুকত তোমাক লৈয়ে,
পলাই পৰ্ব্বত এৰি
থ'লেহি ইয়াত ;
কিন্তু হলে দেখি তুমি,
—দেৱ পাৰিজাত।

অপ্সৰী।

—•—

দেখা নাই দেখা নাই এনুৱা লাৱণি
কোনো দিনে সৌন্দৰ্য্যৰ গাত ;
এনেকুৱা সুমধুৰ কোমল বান্ধনি
পোৱা নাই মোৰ আতমাত ;
গছৰ আগত থকা কোনেও নোচোৱা
আলসুৱা নিচেই কোমল,
চুবলই হাত নিলে জঁয় পৰি যোৱা
অতি কুমলীয়া কুঁহি মল।
তোমাৰ হৃদয় খনি নিচেই কোমল,
জানিছোঁ নোকোৱাকৈয়ে মই,—
মুখতে চিনিব পাৰি কিমান সৰল ;
কথা কবলৈ'কে লাগে ভয়।
পৱিত্ৰতা সাহ লই ফুৰিছা আপুনি,
—ভয় মাথোঁ নিজেহে নিজৰ,—
দেখিলেই ভক্তি হয়, মধুমাত শুনি
ইচ্ছা মোৰ যায় পূজিবৰ।

স্বৰগৰ দেৱী তুমি বায়ু পথগামী,
ইয়ালই আহিলানো কিয় ?
তোমাৰ লাৱণি গুণ কি বুজিম আমি,—
আমি পাপ পৃথবীৰ জীৱ।

নোহোৱা নোহোৱা তুমি এই পৃথিবীৰ,
নাই তুল্য তোমাৰ ৰূপৰ ;
দেৱৰো দুৰ্ল্লভ তুমি, অমৰাৱতীৰ
এপাহি কুসুম মৰমৰ।

থোজেপতি বুজ দিয়া মৰম, সাদৰি
কয় বহু একোষাৰ মাতে ;
সন্দেহ মনত মোৰ—আহিলা পাহৰি
অপেস্বৰি ক'ৰবাৰ বাটে !



গিৰি-কুমাৰী।

—:•:—

লোকে বোলে তুমি হেনো একোকে নেজানা—
আজলী সৰল স্বভাৱৰ ;
মই দেখোঁ তুমি হ'লে সকলোকে বুজা
যত কথা মোৰ অন্তৰৰ।

একোকে নেজানা যদি কিয় থাকা আহি
ৰই থাকা গছৰ তলত,—
কোনেও নেদেখা কই মোৰ গীত শুনি
স্তব্ধ হই নিৰল ভাৱত !

লোকে হেনো দেখা নাই তোমাৰ মুখৰ
হাঁহি এটি প্ৰাণ শীতলোৱা,
মই হ'লে চাওঁ পতি সদাই দেখিছোঁ
সকলোতে হাঁহি বিৰিঙোৱা।

লোকে কয় শুনা নাই তোমাৰ মুখত
একো কথা হৃদয়ত লগা,
মোৰ দেখোঁ তুমি কোৱা প্ৰত্যেক কথাতে
গম পাওঁ হিয়া খনি জগা।

লোকে শুনা নাই হেনো তোমাৰ মুখৰ
একো গীত তালে মানে ৰোৱ',
মোৰ হ'লে হৃদয়ত ঘৰুৱা কথাও
লাগে যেন পঞ্চমত গোৱা ।

সকলোৱে বান্ধনিৰ আঁজোৰত পৰি
হেৰুৱালে কোমল প্ৰকৃতি ;
নেদেখিলে একো কথা শিক্ষা অনুসৰি
দেখিলেও নেদেখে দীপিতি ।

তোমাৰ জনম ঠাই প্ৰকৃতি-কোলাত,
তেৱেঁ মাথোঁ তোমাৰ শিপিনী ;
লোকৰ কথাত চলা সমাজত কই
বহুত সুখৰ হাবিয়নি ।

মনৰ কথা।

—:•:—

চাইছিলোঁ মনে-মনে প্ৰথমে তোমাক,
নেভাবি, এদিন মোতে পৰিবা ফুলি ;
তোমাৰ ওচৰে গই শুনিছিলোঁ মাত,
ভালেৰে মুখৰ কথা নুশুনো বুলি।

পিচত চিনাকি হ'লে, কত কথা কলোঁ,—
ফুৰিছিলোঁ দুয়ো দুখ কতনো সহি,
ইমান মনৰ কথা নকলোঁহেঁতেন,
জনা হ'লে ক'ম বুলি সুখেৰে বহি।

ইমান তোমাক ভাল নেপালোঁহেঁতেন
জানিলে সাঙ্গোৰা বুলি দুইৰো হিয়া ;
অ'কউ নিৰলে দিওঁ, তাহানিৰ মোক
প্ৰেম-পূজা ওলোটাই এতিয়া দিয়া।

আশাৰ সপোন।

—:•:—

নোৱাৰিলোঁ জীৱনত বুজাব তোমাক
হৃদয়ৰ কিমান চেনেহ ;—
নোৱাৰোঁ ফুটাই ক'ব, মনে মনে হ'লে
নাই ভেদ আমি দুটি দেহ।

তোমাৰ সুখৰ মই আনন্দ-সোঁতত
উটি যাওঁ লুকাই লুকাই ;
লাজ লাগে, ফুলোঁ মই পদুমৰ দৰে,—
ভয়, যদি দেখে কোনোবাই।

তোমাৰ বাহিৰে যদি আৰু কাৰবাৰ
চকুজুৰি পৰে মোৰ গাত,
—নোৱাৰোঁ নোৱাৰোঁ ক'ব—বিদ্যুতৰ দৰে
কিবা এটি চিৰিঙে হিয়াত।

তুমি মোৰ জীৱনৰ আশাৰ দীপিতি,
আছা মোৰ হিয়াৰ মাজত ;
আগবাঢ়োঁ মানে মই সেই সাহতেই
আৰু দেখোঁ তাৰে পোহৰত।

বহুত হিয়াৰ ভাৱ একোষাৰি মাতে
আঁতৰাব তোমাৰ মুখৰ,
একোটি কামত চিন পালে মৰমৰ
সীমা মোৰ নেথাকে সুখৰ।

সন্ধিয়া পূবৰ পিনে উঠে জোনবাই
তুমি উঠা যমুনা পাৰত,—
হালি জুলি ফুৰা যেন ডাৱৰৰ দৰে
ৰ'দ পাৰ নীল-আকাশত।

তুমি মোৰ ক'ৰবাৰ প্ৰাণ শীতলোৱা
গধূলিৰ শান্তিৰ জৰণা,—
কেনি বোৱা, কেনি যোৱা, কোন পিনলই,
ক'ৰ পৰা ওলালা নজনা!

যৌৱন।

—•—

পাৰা মানে তুলি ফুৰা গোলাপৰ কলি,
কাল-সোঁত নিতে যায় বই ;
যিটি ফুল ঠন ধৰি আছে আজি ফুলি
জয়ঁ পৰি যাব কাইলই।

আকাশৰ ৰঙ্গা বেলি উজ্জ্বল পোহৰ
উঠি যায় মানে ওখলই,
অস্ত হ'ব লীলা-খেলা নিজ জীৱনৰ
চাপি গ'লে মাৰ যাবলই।

প্ৰধান কামৰ কাল প্ৰথম জীৱন,
থাকে মানে বল হৃদয়ত,
গ'লে হ'লে কেতিয়াও নহ'ব ঘূৰণ,
আৰু-বেয়া বেয়াৰ পিচত।

নেথাকিবা আশা কৰি, কৰা সময়ৰ
ব্যৱহাৰ নাচি আনন্দত,
এবেলি সুমায় যদি চাকি হৃদয়ৰ
নজ্বলিব আৰু জীৱনত।

মইনা।

—:*:—

ধুনীয়া মইনা মোৰ ঢুকালা এতিয়া,
ভাবিছোঁ লুকালা হ'ব পায় বেজাৰত ;
কিহৰ বেজাৰ ?—ভৰি আছিল লগোৰা
নিজ হাতে গোঁঠা মোৰ জৰী এডালত।
মন মোহা চকু জুৰি কিয়নো মুদিলা ?
কিয়নো, কিয়নো মোক ইয়াতে এ'ৰলা ?
অকলই ফুৰিছিলা হাবিৰ মাজত,
কিয় নেথাকিলা বাৰু মোৰ নো লগত ?
দি টোপ কতবাৰ চুমিলোঁ মুখত,—
হাবিত থকাদি কিয় নেথাকা ৰঙত !

কিবা যেন নাই নাই।

সন্ধিয়াৰ চাকি শাৰী,—
পুখুৰী-পানীত পৰি
দীঘলীয়া,—নাচিছে।

আকাশৰ ভোটা তৰা,
পাৰিষদে বেৰি ধৰা
জিলিকিব লাগিছে।

দীঘল দ'লটি গ'ই,
লাহে লাহে সৰু হই,
আকাশত মিলিছে।

দুখ-শোক আঁতৰাই,
মন-প্ৰাণ নচুৱাই,
জুৰ বায়ু বলিছে।

ইয়াতে সদাই দেখা,
দেখিলে মনত থকা
আহিলেই লগ পায় ;—

মনে মনে ভাল পোৱা,
ভাবিলে কেনিবা যোৱা,
কিবা যেন নাই নাই।

———

সৌন্দর্য্য।

--:*:—

গোলাপী গালত যাৰ মন মজি যায়,
ৰঙা ওঁঠ দেখি পৰে ঢলি
তৰাৰ জেউতি ভৰা চকু দেখা পাই,
প্রেম-জুই উঠে যাৰ জলি ;—
যেতিয়া পুৰণি কালে সকলো ঢুকাব,
নিশ্চয় অগণি তাৰ তেতিয়া নুমাব।
মনৰ সবল ভাৱ অচল প্রাণৰ
সু-আশাই চিন্তা জুৰণিৰ
বান্ধ খোৱা দুটি মনে সমান প্রেমৰ
জলায পিৰীতি অগণিৰ।

ভিতৰত নেথাকিলে ইবিলাক গুণ,
একো নাই বাহিৰত থাকে যদি ধুন।

সংসাৰী।

—:*:—

লোকে বোলে তুমি হেনো পৃথিবীৰ ৰাজ
মান্তি মোৰ নাই হ'লে তাত ;
দেখিছে তোমাক লোকে আঁতৰৰ পৰা
দূৰণি-পোহৰ পৰা দেখিছে তোমাত।
নিচেই ওচৰ চাপি তোমাক দেখিছোঁ।
ভাঙ্গি-পাতি গুণাগুণ সকলো লেখিছোঁ।
নেভাবিবা সেই বুলি মোৰ মৰমৰ
এধানিও বিঘিনি ঘটিব,
মুঠেই, নকৰোঁ ভয় স্বৰ্গীয় ভাবেৰে,
মনে মোৰ সেই ভাৱে ভক্তিও কৰিব।
নাই দোষ এনেকুৱা এপাহি ফুলত ;—
দেখা নাই ভয় কেৰেঁ সুখ-হৃদয়ত।

লাহৰী ।

—:*:—

আজিলৈ'কে দেখা নাই তোমাক লাহৰি,
কথা মাথোঁ তোমাৰ শুনিছোঁ,
শুনিছোঁ তোমাৰ গুণ, শুনিছোঁ জেউতি,
আৰু মই মৰম বুজিছোঁ ।
আৰু হেনো কোনোবাই ক'লে মোৰ কথা
চকুজুৰি মাটিলই পৰে,
ধুনীয়া কতনো ফুল তোমাৰ গালত
ফুলি পৰে নানা বৰণেৰে ।
অন্তৰত মনৰ কিবা স্বৰ্গীয় বান্ধনি
আছে এটি এই জগতত,
নহ'লে কিয়নো বাৰু—নেদেখা নুশুনা—
মজোঁ মই তোমাৰ গুণত ।
দেখা নাই, শুনা নাই, তুমি এটি মোৰ
হৃদয়ৰ নজনা বাসনা,
মনেৰে ধুনীয়া কৰা, মনেৰেই সজা,
তুমি মোৰ পবিত্ৰ কল্পনা ।

ফুৰা তুমি, হাঁহাঁ তুমি, কোৱা নানা কথা,
কল্পনাৰ ওখ আকাশত ;
চকুল'কো চোৱা আৰু হৃদয়ৰ কথা
কোৱা মোৰ মনৰ মাজত ।
হ'ব পাৰা পৃথিৱীৰ,—মোৰ উমানত
তুমি দেৱি,—বসন্ত-লগৰী ;
তোমাক দেখা যে নাই, নামো শুনা নাই,
সেই গুণে বুলিছোঁ লাহৰী ।

উৰণীয়া পখী ।

—:•:—

ছঁয়াময়া উৰি গ'ল আকাশৰ মাজে,
বায়ুপথ ভাঙ্গি নিলগৰ ;—
কি দেখিলোঁ, কি দেখিলোঁ, ইমান ধুনীয়া,
দেখা নাই এনুৱা সুন্দৰ !
যি দেখিলোঁ, সিও যেন দূৰ আকাশত
ভাৱৰৰ নোৱাৰা মনিব,
এখনি শুৱনি পাখি নিচেই তৰল
মানুহৰ নোৱাৰা ধৰিব ।

কত বেলি কত পৰ ৰ'লো বাট চাই
আকউ উলটি আহে বুলি ;
কিন্তু হায়, গ'ল আৰু নাহিল নাহিল,
মোৰ জ্ঞান হৰিলে সমূলি ।

গ'লা তুমি গুচি গ'লা নেচালা উলটি,
নেৰাখিলা একোকে মনত,
ভাবিলোঁ তোমাৰ কথা সকলো পাহৰি
গ'লোঁ যেন তোমাৰে লগত ।

গ্ৰহণৰ দৰে মোৰ আৱৰি ধৰিলা
সকলো পোহৰ বাসনাৰ ;
যিপিনেই চাওঁ মাথো তোমাকেহে দেখোঁ
সকলোতে ঢাকনী তোমাৰ ।

যেনিয়েই যাব দিওঁ মোৰ কল্পনাক
তোমাকেহে তাতে দেখা পায়,
টানি ধৰে কিহবাই, গধুৰ খোজেৰে
ঘূৰি পকি তোমাতে ওলায় ।

তুমি মোৰ পূৰ্ণ আশা নীল গগণত,
তুমি মোৰ জীৱনি-জেউতি,
মাজে মাজে একো বেলি দেখা দিবা মোক,—
দিবা দেই কৰিছোঁ কাকুতি !

—:•:—

দুৰাশা ।

—:•:—

"অনাঘ্ৰাতং পুষ্পং কিসলয়মলূনং কৰকৈহে—
ৰনাবিদ্ধং ৰত্নং মধু নবমনাস্বাদিত ৰসম্ ।"

তোমাৰ মুখৰ কথা শুনিম আশাৰে গলোঁ।
নেমাতিলা এবাৰিও মাত,
কোনেও নমতা দেখি থৰ লাগি চাই ৰলোঁ।
তিনি প্ৰাণী তিনিও নিমাত ।

ক'ব খোজা কথাষাৰি টিপতে লুকাব দিলা
ঠাবতে নিদিলা উলিয়াব,
কোনোবায়ো কয় বুলি নিচেই চঞ্চল হ'লা
চকুল'কো নিদিছিলা চাব ।

তোমাৰ মনৰ কথা গম পাবল'কে মই
নিদিছিলা অইনকো ক'ব,
জানিছিলা,—কথাষাৰি মুখেৰে কোৱাত কই
নকলেহে ততোধিক হ'ব।

ক'ব নিদি ক'লা মোক মুগুনা মাতেৰে এটি
কিবা কথা হিয়াৰ মাজত,
টিপমাৰি হাক দিলা, বুজিলোঁ তাতেই সিটি
কিনো কথা তোমাৰ মনত।

বুধিৰে জনালা মোক, জানিলে কথাটি মই
ভাল লাগে তোমাৰ মনত,
নেলাগে নেলাগে ক'ব, পালোঁ চিন তাতোকই
ফুলি পৰা ধুনীয়া মুখত।

তুমিও কৰিছা আশা পাৰিছোঁ বুজিব মই
মোৰো আশা সেই পথতেই;
দেখিলে তুমিও চোৰা, চাই থাকোঁ ময়ো ৰই
মনে মনে তোমাৰ দৰেই।

মনৰ মিলতে মিল হোৱা হ'লে জগতত
নেথাকে সমানে আধা দুখ;
তোমাক বঞ্চিত কৰি জুই জলা হৃদয়ত
নহ'ব এদিনো মোৰ সুখ।

—:•:—

আক্ষেপ।

—•—

"অখণ্ডং পুণ্যানাং ফলমিব চ তদ্রূপমনঘং
ন জানে ভোক্তাৰং কমিহ সমুপস্থাস্যতি বিধিঃ।"

হিয়াৰ শকতি-শেল হিয়াতে সোমাই ৰ'ল
মোক এৰি আন পথ ল'লা,
ছঁয়াময় আশা মোৰ কেনিবাদি উৰি গ'ল,
হৃদয়ত চিৰ দুখ থ'লা।

ইয়াতে যদিও আছা মই আৰু নেদেখিম
তোমাৰ কোমল মুখ খনি,
লোকক শুনাবা কিন্তু মই আৰু নুশুনিম
মউমাত তোমাৰ লাৱণি।

সদাই সন্তোষ তুমি লোকৰ মনত দিলা,
দিলা মোক সদাই বেজাৰ ;
কেনেনো বিলাই মোৰ হ'ব তুমি অবিহনে,
নেভাবিলা কিয়নো এবাৰ ?

সংসাৰ দুখৰ বোজা এনেয়ে নোৱাৰি ব'ব
তাতে মোৰ এয়ো এটা হ'ল ;
হিয়াৰ ডাঙৰ দুখ নোৱাৰোঁ ফুটাই ক'ব
যত কথা হিয়াতেই ৰ'ল ।

কত আশা কৰিছিলোঁ একেলগে দুয়ো বহি
মনৰ সকলো কথা ক'ম,—
বুজিব নোৱাৰা ভাব সকলো আছিলোঁ সহি
ভাবিছিলোঁ বুজোৱাই ল'ম ।

তোমাৰ কথাই মোক থাকোঁ মানে জগতত
আন একো ভাবিব নিদিব,
ভাল কিবা দেখিলেও মোৰ শুদা হৃদয়ত
একো আৰু ভাল নেলাগিব ।

আশাত নিৰাশ হই জঁয় পৰা অন্তৰত
সহিব নোৱাৰা হ'ল দুখ
তোমাক বঞ্চিত কৰি জুই জলা হৃদয়ত
এদিনো নহ'ব মোৰ সুখ।

বলিয়া।

—ঃ❋ঃ—

বসন্তৰ শীতল বায়ুত
হেকৰালোঁ জীৱনি-ৰাগিণী,
মন প্ৰাণ নচুৱাই সন্ধিয়া বেলিকা
বইছিল সুগন্ধ-বাহিনী।

এখন্তক সকলো পাহৰি
বহিছিলোঁ আনন্দ মনেৰে,
গধুৰ মনৰ বোজা আঁতৰত থই,
ভাবিছিলোঁ লোকৰ ভাবেৰে।

অকস্মাত নাচি নাচি আহি,
দেখা দিলে বলিয়া এটাই,—
সুধিলে নকয় একো, কেৱল ৰঙেৰে
সুললিত গানকেহে গায়।—

"কিয়, মৰমৰ চিৰ ন'ললা,
বহু দিন আশা কৰা, কথা নক'লা ?
কতনো আলচিছিলোঁ,
কত কথা পাঙিছিলোঁ,
সকলোকে কিয় তুমি পাহৰি গ'লা ?"

সুধিলেও একোকে নকয়,
গান আছে ক'ব খুজিলেও ;
নাচে গানে ক'ব খোজা ক'ৰবাত এৰে
ক'বলই মন থাকিলেও।

বহুপৰ সুধি থাকিলত,
গান এৰি এখন্তক বহি,
নিজৰ দুখৰ কথা মৰম আশেযে,
ক'লে যিবা, হিয়া নিয়ে দহি।—

“গইছিলোঁ মোৰ বুলি ক’লোঁ,
কলোঁ মই তোমাৰ নাছিল ;
‘গুচি যা গুচি যা’ মোক যেতিয়া বুলিলে,
শক্তি-শেল হিয়াত বাজিল।

“আঁতৰৰ পৰা মোৰ পিনে
চাই থাকি নোচোৱা ভাৰেৰে
কাৰবাৰ কুমলীয়া সৰল পৰাণে
চাটি-ফুটি কৰিলে দুখেৰে।

“থিৰ ভাৱে মিঠা কথা কই
নিলে মোক ছলাই ভুলাই,
আশা পুৰোৱাৰ ছলে প্ৰৱঞ্চনা কৰি
ফাটকত দিলেহি সুমাই।

“বহুদিন যদিও আছিলোঁ
নানা দুখ-ভুগি নৰকত,
দুখতো নেপালোঁ দুখ, কিবা কিবি ভাবি
সেই কালো গ’ল অলপত।”

কেনেকই কেতিয়ানো ক'ত
পৰিছিল নতুন পোহৰ,—
তাকো কলে, আৰু নানা কথা মিহলাই
পাতলালে যাতনা মনৰ।

গই, আহি আকউ কলেহি,—
"কিয় মোক বলিয়া বুলিব,
ময়ে নে নাইবা আৰু কোনোবা বলিয়া
তাৰ মেল স্বৰ্গত সুধিব।"

গুচি গ'ল বলিয়াও, ময়ো
গম পালোঁ মনৰ মাজত,—
পূৰণি দুখৰ বোজা দুগুণ গধুৰ
বলিয়াৰো দুখৰ লগত।

—————

মোৰ প্ৰেম ।

—॰॰❋॰॰—

নুভুলিবা তুমি মোৰ লাৱণী ৰূপত’—
মৰমিয়া চকু দেখি ধুনীয়া মুখত ,
নুভুলিবা গুণ মোৰ দেখি বাহিৰত,
নুভুলিবা এটি প্ৰেম দেখি হৃদয়ত ;
সকলো ঢুকাব পাৰে পাপ পথ লই—
থান থান হ’ম পিচে কৰবাত গই !

সন্দেহৰ চকু থ’বা মোৰ অন্তৰত,
নমজিবা একে বাৰে মোৰ মৰমত,
ভাল পালে ভাল পাবা, তথাপি মোলই
সদাই নথবা প্ৰেম নিৰ্ভয় নহই ।

চিত্ৰ ।

—•—

লুকাল বেলিটি, সৰু নাওখনি
ইপিনে দাঁতিয়ে যায়,

পচিম পিনেদি সেন্দূৰী ৰঙ্গেৰে
ভাৰৰে পোহৰ পায়।

আহিছে একুঁচী পোহৰৰ ৰেথ
দীঘল বহল হই,
নাও খনি যায় নাচি নাচি মোক
বুকুত সাবটি লই।

সেন্দুৰীয়া ৰেথ দীঘল গছৰ
নিৰ্ম্মল পাতত পৰে,
চন্দন মিহলি নিৰ্ম্মালিৰ দৰে
ৰাঙ্গলী বৰণ ধৰে।

তাহে কৰিছে পানীৰ লগত
ধেমালি, বিদায় জানি,
উঠি নামি যেন ঢৌ খলকত
বায়ুক ধৰিব আনি।

বেলি যাই বুলি নৈয়ে বেজাৰেৰে
দুখৰ উশাহ টানে,

তাৰ লগে লগে বুকুখনি কঁপি
সন্ধিয়া পোহৰ সানে।

দেখি গলোঁ মই পাৰৰ দাঁতিত
শাৰী শাৰী শাৰী ঘৰ,—
ফুলেৰেই সজা, ফুলৰে কানন,
এখনি ৰম্য নগৰ।

চকুদুটি মুদি ভাবৰ ভোলত
পাৰতেই থিয় হোৱা,
বৰ্ণাব নোৱাৰোঁ যিটি দেখা পালোঁ
বুধিৰ অসাধ্য কোৱা।

দেখিছোঁ পদ্মাত পুৰা বেলি উঠা
পানীৰ মাজৰ পৰা,
পাতৰ মাজত ফুলে জুমি জুমি
একোটি ভূমুকি মৰা।—

সোণালী ৰঙৰ এনে ছবি নাই
সোণালী ৰদত দেখা ;

চাৰিপিনে তাৰ চাৰি ডালি থকা
সোণৰে ধুনীয়া ৰেখা ।

নহয় মানুহ, এনেয়ে ছবিটি
আধাহে হিয়াত ৰয়
সজাগৰ মোৰ কঠুৱা ভাবত
কেনিবাদি যায় লয় ।

লাজুকী ।

কি মধুৰ মনমোহা আছিলা তেতিয়া,—
যেতিয়া প্ৰথমে দেখোঁ যমুনা পাৰত,
নাই কথা নাই মাত দুইৰো যদিও
কিন্তু হ'লে জনা-শুনা দুইৰো মনত ।

ফুৰিছিলা য'তে ত'তে নিশঙ্ক মনেৰে,
একোকে নেথাকা চাই বেচি পৰ ৰই,

নুশুনা একেটি গীত একে ঠ:ৰ থাকি,
নিদিয়া ডুবেলি চকু কাৰো মুখলই।

পোনে পোনে নিৰীক্ষণ বেঁকা-বেঁকি নাই,
একোবাৰ যাব খোজা বতাহতে উৰি,
কামত উদ্দেশ্য, নাই সাধনা মনত,
সদাই ঘোৰাহি মাথোঁ একে বাটে ফুৰি।

নেভাবা সৰহ কথা, যিবা এটি ভাবা
তাকো তুমি বহু পৰ নোখোৱা মনত,
নেথাকে সৰহ বেলি, নোখোজা ৰাখিব
দেখা, শুনা, ভবা, চিন্তা মনৰ মাজত।

এইদৰে নাচি-ৰাগি গ'ল ল'ৰাকাল ;
কিন্তু হ'লে বহুদিন হই যোৱা নাই,
ইমান সলনি হ'ল তোমাৰ স্বভাৱ
আগৰ তোমাৰ একো চিনকে নেপায়।

এতিয়া নোলোৱা তুমি সেই ঠাইল'কো
ফুৰিছিলা তুমি য'ত শত-কোটিবাৰ,—
মানুহ দেখিলে তুমি ভয় খাব খোজা,—
নোলোৱা শীতল বায়ু আহি যমুনাৰ।

এতিয়া তোমাৰ খোজ নহয় মুকলি,
ভাবা যেন,—খোজে পতি তোমাৰ ভৰিত
শত শত চকু পৰি কথাই কথাই
ধৰিব খুজিছে দাই ভাও-ভঙ্গতিত।

নোখোজা শুনাব মাত তোমাৰ মুখৰ,
যিবিলাকে শুনিছিল আগেয়ে সদাই;
বহুত প্ৰশ্নৰ তুমি একেটি কথাতে,
সাৰবি উত্তৰ দিয়া মুখ আঁতৰাই।

মাত মতা টান কথা,—চকুলই চোৱা
পাহৰিলা হ'ব পায় নপৰে মনত!
ভয় কৰা,—কোনোবাই তোমাৰ কথাৰ
আলোচনা কৰে বুলি নৰ-সমাজত।

মিলি গলা প্ৰকৃতিৰে একো হানি নাই,
মই হ'লে এতিয়াও তোমাৰ কামত
পাওঁ চিন মৰমৰ, কল্পনা চকুৰে
দেখোঁ যেন কিবা এটি তোমাৰ লগত।

হাঁহিটি।

—:০:—

পৰিছে মনত মোৰ কিয়নো এতিয়া
তাহানিৰ হেৰোৱা হাঁহিটি ?
হেৰোৱা—নেপালোঁ মই গমকে কেতিয়া
বসুধাত মাৰ গ'ল সিটি।

যি হাঁহিৰ ওচৰত কঠিন বান্ধেৰে
আছিলোঁ অচল মেৰ খাই,
জীৱনত তাত বাজে সুখৰ নামেৰে
জানিছিলোঁ আৰু একো নাই।

দুখ লাগে তেনে হাঁহি দেখিও দৈৱাৎ
সেই মুখতেহে ভাল দেখি,
এজোপাৰ ফুল ছিঙি অন্য এজোপাত
পিন্ধালেও ধুনীয়া নেদেখি ।

সেই হাঁহিটিয়ে মোক জীৱন যাত্ৰাত
কৰিছিলে বহুত সহায়,
ফুলা ফুল সৰি গ'ল প্ৰকৃতি কোলাত,
আজিও পাহৰা হ'লে নাই ।

সাদৰী ।

(১)

আছিল সাদৰী মোৰ ভৰলু সিপাৰে,—
কাৰো মাত নুশুনা দেশত,
নাই কেওঁ শলাগনি দিয়ে মৰমেৰে
নাই কেওঁ পৰে প্ৰণয়ত ।

শেলুৱা শিলত গজা ফুল বনৰীয়া
আধা-আধি চকুৰ আঁৰত,
ধুনীয়া, তৰাৰ দৰে একেটি যেতিয়া
তিৰ-বিৰ জলে আকাশত।

আছিল নজনা কেৰেঁ, নেজানে কোনোৱে
লয় পালে সাদৰী যেতিয়া,
যেতিয়া শ্মশান, হায়, ললে সাদৰীয়ে,
মোত জুই জলিল তেতিয়া।

(২)

সাগৰৰ সিপাৰৰ নজনা দেশত
বিদেশীৰ মাজত ফুৰিলোঁ,
স্বদেশৰ মায়া কেৰি, কল্পনা সুখত
পমি গই তেতিয়া জানিলোঁ।

গ'ল য'ক মোৰ সেই ছুখৰ কল্পনা,
নিজ দেশ নেৰোঁ কেতিয়াও;
বাঢ়িব লাগিছে মোৰ চেনেহ কামনা
নিজৰ দেশত এতিয়াও।

পাইছিলোঁ পৰ্ব্বতৰ মাজত তোমাৰ
আশা সুখ,—সঁচোৱা মনত,—
সাদৰৰ সাদৰীয়ে মাতেৰে উঘাৰ
বহিছিলে জুহাল কোষত।

পুৱা দেখা পায় আৰু গধূলি লুকায়
সাদৰীৰ ফুলৰ মণ্ডপ,
ঘঁাহনি পথাৰ খনি, তোমাৰেহে চাই
সাদৰীৰ চকু গ'ল জাপ।

(৩)

মোহ টোপনিত পৰি সংজ্ঞা হেৰুৱাই
পাহৰিলোঁ জীৱন মৰণ ;
জানিছিলোঁ সাদৰীক মৰ্ত্ত্য ধুমুহাই
নোৱাৰিব কৰিব পৰ্শন।

নাই গতি, নিশকতি, এতিয়া সাদৰী,
চকু কাণ নলবে-নচবে,
পৃথিৱীৰ পাকে পতি ফুৰিছে বাগৰি
গছ, লতা, পৰ্ব্বতৰ দৰে।

প্ৰকৃতিলৈ।

নৈত আহি পৰ্ব্বতৰ নিজৰা পৰিছে,
নৈ পৰে সাগৰত গ'ই ;
মলয়াৰ জুৰ বায়ু সদাই মিলিছে
মধুৰ ভঙ্গিমা এটি লই।
অকলশৰীয়া কেওঁ নাই পৃথিবীত,
সকলোটি স্বৰ্গীয় ডোলত
বান্ধ খাই পৰস্পৰ হইছে মিলিত,
মিলোঁময়ো তোমাৰে লগত।

পৰ্ব্বতে চুমিছে ওখ নীল-আভৰণ,
ধৌৰে ধৌৰে ধৰিছে সাৰটি ;
ভনী বুলি ফুলটিৰ নহ'ব এৰণ
কোনোৰূপে ঘিণালে ভাইটি।
ৰ'দো পৰে পৃথিবীক সাদৰে সাৱটি,
চুমে চন্দ্ৰ-পোহৰে সাগৰ,
ইবোৰ মৰম-চুমা মিছা মোৰ প্ৰতি
নলভিলে তোমাৰ মুখৰ।

প্ৰতিদান।

একো প্ৰতিদান মোক নেলাগে তোমাৰ,—
নেপেলোৱা মোৰ দান যদি দলিয়াই ;
মৰমেৰে যদি মোক চোৱা এটি বাৰ
তাতে সুখ সাগৰত প্ৰাণ উটি যায় ;
হৃদয় খনিকে পাৰোঁ দিব উপহাৰ
বুজালে ল'বৰ মন মুৰ ঢুপিয়াই।

যাচি দিয়া মৰমকো নললে অৰ্জ্জুনে
অপেস্বৰী উৰ্ব্বশীৰ স্বৰগ-ৰাজ্যত,
কিন্তু হ'লে সুভদ্ৰাক কতনো যতনে
কৰিছিলে লাভ তেওঁ এই জগতত ;
হিয়াৰ বান্ধনি যদি মিলে মনে মনে
সদাই সকলো সেও গুণৰ কোষত।

নেলাগে মাতিব মোক তুমি সাদৰেৰে,
মাতিম তোমাক হ'লে সকলো খেনত ;

নিয়ৰেৰে তিতি থকা ফুলটিৰ দৰে
দেখোঁ যদি চকু-পানী তোমাৰ মুখত—
সকলো কৰিম, যিবা পাবোঁ জীৱনেৰে,
নেপালেও প্ৰতিদান তোমাৰ হাতত।

———

প্ৰকৃতি কোলাত।

——※——

নেদেখা নুশুনা কোনো নোযোৱা দেশত,
আহিছোঁ আহিছোঁ থই প্ৰাণ-পুতলীক—
কাল টোপনিত পৰি শোৱা ভাগৱত,
জপাই দুয়োটি হাত, হিয়াৰ বাণীক।
পালে তাৰ শীতলোৱা চেঁচ ন বুলনি
ন'হব বলিয়া কোন গলি হিয়া খনি!
নিমজ, নিভাঁজ যাৰ চকু-পিৰিকণি,
ৰসাল, আনন্দময় যাৰ মুখ খনি,
কয় যেন কত কথা কথাৰ চিয়াৰে,

নমতা-মাতেৰে কোৱা নিমাত ভাৱেৰে ;
শুনো যেন ভাবোঁ পতি কল্পনা কাণত,—
'নাই সীমা নাই সুখ প্ৰেমৰ' স্বৰত ।

———

পুৰণি সপোন ।

——:❋:——

আৰু আহিবনে ঘূৰি সেই শুভদিন,—
যিদিনা আছিলোঁ দুয়ো কদম তলত,
গাইছিলোঁ কৃষ্ণলীলা কদম সুৰঁৰি,
শুইছিলোঁ মোহ গই কুলিৰ মাতত ?

আৰু আহিবনে সেই সুখৰ যামিনী,—
চাইছিলোঁ দুয়ো বহি পূৰ্ণিমা পোহৰ,
চাওঁতে চাওঁতে মোৰ অথিৰ চকুৰ,
ছেদ পেলালেহি আহি কঠুৱা ভাৱৰ ?

নাহে নাহে হায়, আৰু সি বসন্ত কাল,
যেতিয়া আছিলোঁ দুয়ো দুয়োৰ লগত,
কেউপিনে বতাহত ফুলৰ গোন্ধত,
গইছিলোঁ দুয়ো লীন পুষ্প কাননত।

ইজনে সিজনে মিলি গাঁথিছিলোঁ মালা,
পিন্ধাই দিছিলোঁ দুয়ো দুয়োৰ গলত,
ল'বাৰ ধেমালি বুলি খন্তেকো নেভাবি,
খেদিছিলোঁ লুকা-লুকি ফুলৰ আঁৰত।

পদুমনি সৰোবৰ ফুলনি দাঁতিত,—
কৰিছিলোঁ দুয়ো তাত স্নান উলাহেৰে,
সাঁতৰি মাজৰ পৰা মোৰ পিনে চাই,
হাঁহিছিলা আহাঁ বুলি অতি সাদৰেৰে।

পৰেনে মনত নাথ সেই কথা আৰু,
বিস্মৰণ হ'ল, নাই, নাই, কালৰ সোঁতত?
চাপিছা ওচৰ আহি কিয় নহলেনো,
সকলো অৱশ্যে আছে তোমাৰ মনত।

স্বপ্ন যেন লাগে মোৰ এতিয়া সকলো,
তুমি যে আছিলা মোৰ,—কল্পনা মাথোন ;
মনে মনে তাকে ভাবি উপভোগোঁ সুখ ;
এতিয়াও দেখিছোনে আকউ সপোন ?

বাণীদেবী।

—:•:—

আছেনে মনত দেবি অতীত জীৱন,
গাইছিলা হিমালয়-টিঙত যেতিয়া,
পুৰাৰ নিয়ম পাই ভোমোৰা সুৰত,
নাচিছিল ঠেৰে ঠেৰে ফুলনি যেতিয়া ?

গইছিল সূৰ্য্যদেৱ সুমেৰুৰ পিনে,
পৰ্ব্বতৰ পূবফাল আন্ধাৰত থই ;
গাইছিলা তুমি বহি নইৰ পাৰত,
কাণ পাতি শুনিছিলে মৃগ-শিশু ৰই।

আন্দোলিত জলৰাশি গঙ্গাৰ বুকত,
ডুবিছিল তাতে পৰি সূৰ্য্যৰ কিৰণ ;
সোঁতৰ মাজৰ পৰা সন্ধিয়া বেলিকা,
চন্দ্ৰ উদি শোভিছিল ডুখনি গগণ।

বসন্ত আহোঁতে য'ত ফুল ফুলিছিল
নতুন শোভাৰে আহি গছৰ ডালত,
লৰিছিল সেই ফুল বায়ুৰ ভৰত ;
প্ৰতিধ্বনি হইছিল কু-উ-উ মাতত !

হাতত বীণাৰে স'তে ভাৰতত ভ্ৰমি,
দিছিলা জগাই ধ্বনি সকলো দেহত,
যি তাঁৰৰ মাত শুনি লভিলে চেতন,
বাল্মীকিৰ তপোবনে কাব্য-জগতত।

যি বীণাৰ মাত শুনি পৰ্ব্বতৰ গাৰ
আবেলি বেলিকা বহি গছৰ তলত,
গুঠিছিলে কুশাসন মুনিৰ কন্যাই
গুণ্ গুণ্ গীত গাই গঙ্গাৰ পাৰত।

ফুলত চন্দন সানি পূজা কৰিছিল
ভাৰতী দেবীৰ পদ সৰে ভোল গই ;
সহস্ৰ সুন্দৰী আহি পূজিবৰ মনে
ধূপ-দীপে আছিলেহি দুৱাৰত ৰই ।

যি বীণাৰ মাততেই হাবিৰ মাজত
শকুন্তলা মোহ গ'ল ৰজাৰ গুণত ;
আপোনাৰ গুপ্ত মন কৰিলে প্ৰকাশ,
যক্ষয়ো তাকেই শুনি মেঘৰ আগত ।

অশোক বনত কত দাসীৰ মাজত,—
ৰামক নেদেখি সীতা নিচেই চঞ্চল,
হাতেৰে আৱৰি মুখ লোকৰ আগত,
কৰিছিলে মন চকু-পানীৰে পাতল ।

কিন্তু হায়, ক'তা আক তোমাৰ সঙ্গীত,
কাঁহৰ মাতৰ দৰে জীণ গ'ল গই,
নাই দেখোঁ লেশো তাৰ বায়ুৰ লগতো,
একেবাৰে গ'ল গুচি মৰ্ত্ত্য এৰি থই !

লেৰেলি ফুলৰ মালা শুকাই পৰিল,
ৰস গোন্ধ মধুৰতা একো আজি নাই
তোমাৰ লগতে গ'ল সকলো মহিমা,
ওলমিল পাৰিজাত গছতে শুকাই।

———

শকুন্তলা।

— —:*:——

আজিও ৰঞ্জিত কবি, কল্পনা ফুলনি,
আজিও ফুলিছে ফুল গাত গোন্ধ লই,
হাতত কুঁকিৰে স'তে শকুন্তলা আহি
ফুল তুলিবৰ মনে আছে থিয় হই।

প্ৰিয়ম্বদা অনসূয়া দুয়ো গোট খাই
হাতত কলহ লই ফুলৰ তলত,
ঢালিছেহি পানী চোৰাঁ সাক্ষাত আগতে,
আলসুৱা শকুন্তলা আছে ওচৰত।

লেখিছে সাদাৰ চিঠি শকুন্তলা বহি,
নেলাগে ছবিত আৰু আঁকি দেখুৱাব,
মুছুৰা মুছুৰা কেৰেঁ নিচেই কোমল,—
শকুন্তলা ফুলপাহি জঁয় পৰি যাব।

———

মাইকেল।

—:*:—

নহওঁ বঙ্গালী, কিন্তু কৰিলোঁ প্ৰণাম
তোমাৰ সমাধি দেখি, আছে এটি য'ত
তৃতীয় আতমা,—স্বৰগত, মৰতত,
ভয় লগা ভাল পোৱা আৰু শ্মশানত।

যদিও ওপজে জোন পূবালি দেশত
সকলোৰে মন মোহে,—ধন আদৰৰ;
দেশে দেশে গাই গীত কুলি কেতেকীয়ে,
নাই দেশ প্ৰতিভাৰ,—তুমি জগতৰ।

———

ৰাম-মোহন ।

—:•:—

পচিমৰ সূৰ্য্য উদি পূব ভাৰতত
ঢালিছিলে জ্ঞানময় যেতিয়া পোহৰ,
যেতিয়া সতীৰ মাত, জ্বলন্ত দুখৰ,
ডুবিছিল তাল-মৰা ঢোলৰ মাতত ।

যেতিয়া হিন্দুৰ নাম নুমাব খুজিলে,
অধৰম, অনাচাৰ পৰৰ লগত,—
তেতিয়া যিজন আহি মহা-আদেশত
প্ৰাচীন বেদৰ ধৰ্ম্ম দেখুৱাই দিলে ।

আজিও ভাহিছে দেৱ, হিয়াৰ মাজত
তোমাৰ জীৱন স্মৃতি, মৰিও অমৰ !
বাজিব লাগিছে বীণা তোমাৰ লগৰ,
বলিছে তেজৰ সোঁত শিৰৰ মাজত ।

নেভাবিম সংসাৰত পাৰ পালোঁ বুলি,
নোৱাৰিম নিজে গই ফুল ছটিয়াই
তোমাৰ সমাধি চকু-পানীৰে তিয়াই
দেখুৱাব ভক্তি মোৰ হিয়া খনি মেলি ।

চিত্ৰলেখা ।

নেজানো ইমান বুলি তোমাৰ মহিমা,
চিন্তাত আঁকিব পাৰা যাকে মন যায় ;
এনে গুণৱতী কেঁও কোনোবা কালত
যথাৰ্থতে জগতত আছিলেনে নাই !

ঊষাক তুষিলা তুমি ছবি দেখুৱাই,—
জগত তুষিলা কিন্তু বিদ্যাৰ গুণত,—
সোণালী সপোন গ'ল সাৰ পাওঁতেই,—
দেখুৱালা ছবি আঁকি কল্পনা বলত ।

প্ৰেমক বুকত লই শোভা কৰিছিল
অনিৰুদ্ধ ঊষা দুয়ো দুপিনে তোমাৰ,
আহিনৰ পূৰ্ণিমাত আকাশৰ দৰে ,
চেনেহ মিলাই পূণ্য লভিলা অপাৰ ।

আনি দিলা অনিৰুদ্ধ ঊষাৰ লগত
কতনো প্ৰবন্ধ কৰি ছদ্ম বেশ ধৰি,
নিজে কিন্তু একে ভাৱে থাকিলা সদাই
নেপালানে মিল কাকো নিজেৰে সাদৰি ?

আকাশ।

—ঃ০ঃ—

এক অংশ মানুহৰ অনন্ত জ্ঞানৰ
একে লুটি, একে পাত মাথোঁ জ্যোতিষৰ,
কত সূৰ্য্য অগণন লইছা কোলাত,
লগে লগে কত গ্ৰহ ভ্ৰমিছে তোমাত,
ছুটি এটি উপগ্ৰহ আছে গাইপতি,
তুলনাত ধৰা খনি মাথোঁ কণা এটি।

পৃথিবীৰ নিশকতি আমি ক্ষুদ্ৰ জীৱ,
দেখুৱা আমাক তাতে ছুঁয়া-মৰা কত!
ৰামধনু ৰেখা লই মাজে মাজে আঁহা।
গ্ৰহণত ৰোহ পাতা ওৰণি আঁৰত।

কেৱল ধেমালি যাৰ অনন্ত আকাশ,
অনন্ত অনন্ত কত তেওঁৰ অধীন!
এয়েনে তোমাৰ লীলা বুবুজোঁ দেখোন?
যথাৰ্থ ঈশ্বৰ তুমি শক্তিত অসীম।

———

মহাস্বপ্ন।

—— * ——

সেইদিনা টোপনিত দেখিলোঁ সপোন ;—
এখনি পৃথিবী তাৰ চাৰিউ পিনেদি
বেৰি আছে কত তৰা অনন্ত স্বৰ্গত,—
এটি সূৰ্য্য এটি চন্দ্ৰ ভ্ৰমিছে মাজেদি।

দেখিলোঁ নিজকে মই, নৱ-ৰূপ ধৰি
ল'ৰা, ডেকা, বুঢ়া হই তাৰে ওপৰত
ফুৰিছোঁ, কৰিছোঁ যুদ্ধ খন্তেকো নৰই
'যোগ্য' হ'বলই বুলি নৱ জীৱনত।

আৰু এটি আচৰিত দেখিলোঁ ইয়াত,
চৰি যাই মানে দেখোঁ পৰিয়েছে যায়,
তথাপি সিহঁতে ভাবে 'ডাঙৰ হইছোঁ'—
ধৰ্ম্মৰ প্ৰশ্নৰ একো ওৰ পোৱা নাই।

কিছুমান তেনেকুৱা মানুহ জীৱকে
আপোন আপোন বুলি কৰিছোঁ মৰম,
কাকো হ'লে পৰ বুলি থওঁ নিলগাই,
নিজৰ সুবিধা বুজি সাধিছোঁ ধৰম।

কাৰোবা আগত মই ধন দেখুৱাই
খুজিছোঁ সন্মান নিজে নিজকে পাহৰি,
কাকোবা অজ্ঞানী বুলি কৰোঁ চেই চেই,
কাকোবা কৰিছোঁ শাস্তি বাহুবলে ধৰি।

মোৰ থকা ঘৰ ওখ তিনি খলপীয়া,
আছোঁ শুই পালেঙৰ কোমল তুলীত,
ওপৰত কোনোবাই বিচনী মাৰিছে,
টোপনি মাতিছোঁ শুনি মন মোহা গীত।

দিনে দিনে কত ধন আহিব লাগিছে,
লেখি বুজি সুমুৱাই থওঁ আদৰেৰে;
পিন্ধা উৰা সাজ-পাৰ চালে চকু বোৱা
তেনেকুৱা আৰু তাত নাই যাবে তাবে।

চোৱাঁ নাই চকু মেলি আকাশৰ পিনে,
ভবা নাই কি অনন্ত ব্ৰহ্মাণ্ড থনিনো,—
তবা হাতী-পটি তাত আছেনো কিমান,
তুলনাত মই তাৰ কেনুৱা জীৱনো!

গমা নাই কিয় এনে গতি সংসাৰৰ,
কিয়বা মৰণ হয়, কিয়বানো দুখ,—,
যাক ভাবি ৰাজ্য এৰি ৰজাৰ ল'বায়ো
বিসৰ্জ্জন দিলে যত জীৱনৰ সুখ।

কেনেনো ঈশ্বৰ, তেওঁ কিমান ডাঙৰ,
অনন্ত ব্ৰহ্মাণ্ড যাৰ হাতৰ তলত,
মানুহৰ বলে পাৰে কিটোনো কৰিব,
মই ক'ৰ, আছোঁ ক'ত, নাছিল মনত।

চক্-মক্ খাই মই উঠি ততালিকে
চাওঁ দেখোঁ কেউ পিনে অনন্ত পোহৰ;
শিৱ-সত্য-সুন্দৰৰ চৰণ তলত,
লোপ পালে দীঘলীয়া মায়া সপোনৰ।

বুজিলোঁ মিছাতে এই বাদ-বিসম্বাদ,
সকলোৰে একে দশা মৰি-শালনীত,
মায়াৰ জীৱন, এই মায়া শেষ হ'লে,
সাৰ পাব জ্ঞানময় প্ৰেম স্বৰগত।

বসন্ত বিষাদ।

—:*:—

কিহেৰে গাঁথিম মালা ফুল আৰু নাই,
হাতত কলৰ আঁহ এনেয়ে আনিলোঁ,
নাই আজি ফুলনিত তগৰ, গোলাপ,
যুতি নাই, চঁপা নাই, একোকে নেপালোঁ।

উকঙা ফুলনি আজি ফুলৰ শোকত,
নবয় বতাহ আৰু আগৰ দৰেৰে,
নেপাওঁ এধানো গোন্ধ কেনিও ফুলৰ,
মুজুৰায় প্ৰাণ আৰু 'কেতকী' মাতেৰে।

শৰত-শেৱালি দুয়ো আগেয়ে লুকাল,
তোমালোককিটি মাথোঁ আছিলা বুকত ;
আজিহে ফুলনি হ'ল নিচেই নিমাও,
লাগিছে বেজাৰ মোৰ ফুলৰ শোকত।

আনিছিলা লগতেই কুলি কেতেকীক,
আছিলা যিমান দিন আছিল লগতে,
লগে ভাগে লই তাকো কঠুৰা হিয়াৰে,
কিয়নো পলালা ফুল ইমান বেগতে ?

আছিল উপচি ফুল সিদিনা তলত
গাঁথিছিলোঁ কেবাধাৰো মালা তাৰে মই,
এতিয়াও বহা সাঁচ কোমল মাটিত
আছে, মাথোঁ গ'ল ঋতু ফুলকিটি লই।

গাঁথিছিলোঁ দুয়োপিনে তগৰ সমানে
মাজতে সুমাই এটি গোলাপৰ কলি,—
নাই আজি নাই আৰু এটিও ইয়াত,
কৰাল, ধুমুহা আহি নিলে তাক দলি।

যদিও ধুনীয়া লুকা-ভুমুকা ফুলৰ,
নকৰিম অনাদৰ পাই ফুল পাহ,
সদাই তুলিম আহি কুঁকি এটি লই,
নপৰিব জঁয় যদি ফুলে বাৰে মাহ।

দিনে পতি আহে ঘূৰি সূৰুযৰ ৰথ,
নকৰোঁ বেজাৰ ফুল আকউ আহিব,
প্ৰত্যেক মাহতে হয় চন্দ্ৰৰ পূর্ণিমা,
বছেৰেক ব'লে আহি ফুলনি ভৰিব।

ফুলিব ইয়াতে ফুল সৰিব তলত,
তেতিয়া গাঁথিম মালা হেঁপাহ পূৰাই
আহিব আহিব বুলি আকউ এদিন
আশা-ধাৰী প্ৰাণী মই থাকোঁ বাট চাই।

স্বাৰ্থ।

—:*:—

'মাত হেৰ একেষাৰ কলীয়া কুহক,
নাচ ম'ৰা চালি ধৰি আকউ এবাৰ।'—
এই বুলি কোনে কয় চিঞৰি, চিঞৰি
তথাপিও কাৰো কিয় নাই কাণ-সাৰ ?

আহিছে ভোমোৰা চোৱাঁ কত আশা কৰি
নিয়ৰে কোমল কৰা ফুলৰ লোভত ;
ভুলাব পাৰিম বুলি বাঁহীৰ মাতত
বজাব লাগিছে বাঁহী আগ ভেঁটি ধৰি।

ম'ৰায়ো নেনাচে, ক'তা কুলিও নিমাত,
লেৰেলি পৰিল দেখোঁ ফুলৰেহে পাত ;
পুৰাৰ গোলাপ আহি বতাহে নচায়,
ভোমোৰায়ো বাঁহী বাই ৰঙেৰে শুনায়,
যেতিয়া ঢুকাব কিন্তু গোলাপৰ মউ,
ভোমোৰা আঁতৰি যায়, বতাহে সবায়।

———

জননী।

নোৱাৰোঁ শুজিব ধাৰ ইহ জনমত—
মোৰ হকে কৰিছিলা যিমান যতন ;
দেৱৰো দেৱতা তুমি স্নেহ অৱতাৰ,
কায়-মনে বন্দো মই তোমাৰ চৰণ।

কত সুখ লভোঁ পাই তোমাৰ মৰম,
স্বৰগৰ তুমি মোৰ দেবী মহামায়া,
তুমিয়েহে য'তে ত'তে অযাচিত ভাবে,
দিয়া মোক আন্তৰিক করুণাৰ দয়া।

পুলকিত হয় মন তোমাৰ নামত,
প্রকৃত ঈশ্বৰী তুমি মোৰ পৰাণৰ,—
যি পৰাণ সততেই তোমাত শীতল,
নোৱাৰোঁ ফুটাব মাত অশেষ স্নেহৰ।

ল'ৰাকাল।

কত দিন হই গ'ল পাহৰিলোঁ আৰু,
নপৰে মনত সেই ল'ৰালিৰ কথা ;—
এই দৰে মাৰ যায় কালৰ লগত
জীৱনৰ একো অংশ জীৱনতে গঁথা।

আছিল এদিন এই সংসাৰ অমিয়া
নাচিছিলোঁ নিৰ্মল লভি কত সুখ,
যি পিনেই চাইছিলোঁ দেখিছিলোঁ মাথোঁ
সুন্দৰ জগত খনি নাই ক'তো দুখ।

"ল'ৰাকাল জীৱনৰ সুৰত বসতি"
বুলি কয় জ্ঞানী জনে সেই কাৰণেই
হ'ব পায় ভাল দেখি আহিলোঁ উধাই
শেহল'কো এই দৰে পাবৰ মনেই।

কিন্তু হায়, ক'তা আৰু সেই ধৰা খনি,
কেনি গ'ল কিনো হ'ল, চিনো তাৰ নাই !
নতুন এখনি সৃষ্টি নৱ-বিধাতাৰ
আছে আজি কালি মোৰ আগতে ওলাই।

অৱশ্যে মনেই মোৰ দুয়ো খিনি ধৰা,
মনৰে স্ৰজন এই সমস্ত জগত,
সেই মন এই মন বহুত প্ৰভেদ,—
বহুত প্ৰভেদ হ'ল মনেই মনত।

নজনা নুশুনা সুখ বহুত আছিল,
নাছিল মানুহ জ্ঞান মোৰ অন্তৰত,
লাহে লাহে হ'লোঁ মই যত জনা-বুজা
বহুত প্ৰভেদ হ'ল মনেই মনত।

নেলাগে সি সুখ, যক সেই ল'ৰাকাল,
এতিয়াৰ এই কাল নিয়াওঁ ভালেৰে
হে বিধাতা, শক্তি দিয়া তোমাৰ জীৱন
তোমাতে বিলীন যাতে হয় একেবাৰে।

দুখকাৰী।

—— :*: ——

"এনেবুৰা সুখ পালে তোমাৰ কোষত,
মহানন্দ, থকোঁ মই তোমাৰ লগত।"

ৰাতিপুৱা শুই উঠি পিঠি দি এলাহ,
পথাৰৰ পিনে যায় হাল গৰু লই,
দুখ কৰি সুখ পায়,—দুপৰীয়া হ'লে
সন্তোষ মনেৰে ঘুৰি আহে ঘৰলই।

খাই বই নিজগুাল সুখেৰে জিৰায়,
চিন্তা, দুখ, অসন্তোষ থাকে আঁতৰত,
ভাগৰ পলালে উঠি হাত মুখ ধুই,
ধেমালি-ধুমুলা কৰে ল'ৰাৰ লগত।

আবেলি ওলাই বস্তু গোটাবৰ মনে,
সকলোকে পায় কিন্তু বাৰী-ভিতৰত,
আনি মেলি থই আৰু যায় গাৱঁলই,
মন পুতি কথা পাতে খেতি-পথাৰত ;

গধূলিতে ফুৰি-চাকি আহে ঘৰলই
গোহালিত গৰু বান্ধি ভিতৰ সোমায়,
খাই উঠি বহে আহি জুহাল গুৰিত
ঘৰুৱা কথাকে পাতি সময় নিয়ায়।

নেলাগে ফুৰিব ভ্ৰমি দেশ বিদেশত,
নাই একো ওথ আশা সুখী অলপতে,
নাই বহু ধন, নাই অভাবো একোৰে,
গোটেই জীৱন যায় ঘৰুৱা সুখতে।

শুলেই টোপনি আহে, নেলাগে ভাবিব—
"বহল পানীৰ চটা, বহল পথাৰ,"
বেগতে নিতাল মাৰে প্ৰকৃতি মাতত ;
নেলাগে কপাল, লাগে সুখ হে তোমাৰ !

সেই মাতটি।

—॥✻॥—

একেষাৰ মাতি মাত ক'তনো লুকালি,
নেপালোঁ অলপো গম কেনি গলি তই,
শুনো শুনো বুলি ৰ'লোঁ কাণ পাতি মই,
যিটি মাত মাতি মোৰ প্ৰাণটি হৰিলি।

নহয় সঙ্গীত, নাই অৰ্থ থকা মাত,
হঠাতে উতলা সুৰ মাথোঁ বতাহত,—
শুনিলোঁ যেতিয়া মূৰ থওঁতে গাঁৰুত,
কিটোনো উঠিল নাচি আপুনি মনত ?

মোৰ প্ৰতি হ'লে মাত অৰ্থেৰেই ভৰা,
বেজাৰ দিবৰ বাবে মাতিলে এবেলি,
নাহিব টোপনি আৰু ভাবোঁতে ভাবোঁতে,
বতাহৰ লগতেই হ'লেনে মিহলি ?

এতিয়াও আছোঁ শুনি হিয়াৰ মাজত
এতেকে লভিম সুখ নিজেই নিজত।

ভুমুকি।

—ঃ০ঃ—

কোন তুমি কিয় আহি নিলগৰে পৰা
 একোটি ভুমুকি মাৰি যোৱা,
দূৰ দাঙ্গি চাওঁমানে কিয় লৰ মাৰা,
 চাওঁমানে অলপো নোৰোৱা!
কিবা-কিবি সাজি পাৰি থাকোঁ অকলই
 নিজে নিজে মনৰ মাজত,
চকুজুৰি মোৰ যদি পৰে তোমালই
 ভোল যাওঁ তোমাৰে ভাৱত।
আন পিনে ঢাল ল'লে মনৰ গতিয়ে
 তুমি যদি মাৰ যোৱা গই,
ততালিকে সঞ্জীৱন একো ভুমুকিয়ে
 যায়হি সজাগ কৰি থই।
কোন তুমি মই হ'লে একোকে নেজানো,
 মাজে মাজে মাথোঁ দেখা পাওঁ;
নেখেদিবা লুকালুকি, ধেমালি নেজানো,
 ৰোৱাচোন হেঁপাহেৰে চাওঁ।

বিভোল।

—— :*: ——

দুৱাৰ মুখত আহি একে ঠিৰে ৰই
  কাৰ কথা ভাবিছা মনত,
আঁউজিছা গম নাই, আছা থিয় হই,—
  চকু দুটি আছে আঁতৰত ?

বাহিৰৰ পৰা একো কথা মনলই
  সোমাবৰ বাট পোৱা নাই,
মেলা চকু—দেখা নাই, মাত কাণলই
  সাহ কৰি চাপিও নেযায়।

ইমান প্ৰবল আজি শকতি মনৰ
  আন একো নোৱাৰা ভাবিব,
ইমান প্ৰখৰ আজি চিন্তাৰ পোহৰ
  ক'তো একো নোৱাৰা মনিব।

কি ভাবিছা জনা নাই, মোৰ অনুমান—
  মন আছে ক'ৰবাত গই,
তেজহীন বলহীন আজি চকু কাণ,
  জীৱ নাই, ভেল আছা লই।

পুৰণি স্মৃতি।

—০—

বহুদিন হই গ'ল তোমাক পাহৰি
ফুৰিছিলোঁ ক'ৰবাত গই,
মোহলগা মনমোহা তোমাৰ লাহৰি
ছবিটিক ক'ৰবাত থই।
বিদেশত ফুৰি ফুৰি আকউ আহিছোঁ,—
পুনু গাওঁ কাহিনী তোমাৰ,
আকউ মনত মই তোমাকে থাপিছোঁ
তুমিয়েহে বাসনা হিয়াৰ।
পৰ্ব্বতৰ পানীধাৰি প্ৰাণ কৰা জুৰ
সদাশিৱে মূৰ পাতি ল'লে,—
জীৱন শীতল হ'ব তুমি আহি মোৰ
অন্তৰত অৱস্থিতি হ'লে।
নধৰিবা দায় মোক তোমাৰ বিহনে
কাৰবাক যদি ভাবিছিলোঁ,
খন্তেকীয়া ভাব মোৰ গ'ল তেতিক্ষণে,
এতিয়া সকলো এৰি দিলোঁ।

ওখৰ বতাহে যাৰ সৰু হিয়া খ'ন
কৰিছিলে শীতল সদাই—
তাৰে আধা পালে মোৰ মৰিব পোৰণি
সুখে দিব দুখ আঁতৰাই।

পুখুৰী।

—ঃ০ঃ—

দুপৰীয়া সূৰ্য্যদেৱে গছ-লতা বোৰ,
খেদি আনি একে লগ কৰিছে তলত,
পুখুৰী সিপাৰে থকা আমলখী গছ
জিলিকিছে পানীময় ওৰণি আঁৰত।
পুখুৰীৰ দলঙৰ মূৰত বহিছে
পানীত কলহ শুদা দিছে উটুৱাই,
হাতেৰে নেপোৱা হ'লে আনে থাপ মাৰি,
এই দৰে কৰি মেলি আছে ৰঙ চাই।
মুকলি চুলিৰ আগ তিতিছে পানীত,
নিজৰ ছয়াঁটিগ'কে চায় কেতিয়াবা,
মাজে মাজে একোষাৰি আধা কুটা মাত,
ৰূপহ ছবিটি যেন চায়েই থাকিবা।

বিচ্ছেদ।

—০—

হৃদয়ত আঁৰ কৰি ৰাখিছিলোঁ যাক,
নিদিছিলোঁ বৰষুণ ৰ'দ বাহিৰত,
প্ৰকৃতি নিয়ম ভাঙি লুকুৱালো তাক,
এতেকে শুকাই গ'ল হিয়াৰ মাজত।
ধৰিছিলোঁ সাদৰেৰে আঁকোৱাল মাৰি,
দিছিলোঁ উচৰ্গি প্ৰাণ তাৰ প্ৰাণতেই,
দুটি প্ৰাণ এটি হই অপৰূপ ধৰি
মজিছিল পৰস্পৰ সেই ৰঙতেই।
বসন্ত কুলিৰ হায়, মাত একেষাৰি,
জেঠৰ তাপত সিও কেনিবা'দ গ'ল,
তেনেক'য়ে হিয়া মোৰ কত আশা কৰি
নিজকে নেপাই নিজতেই পমি গ'ল।

দেৱী।

—০ঃ*ঃ০—

ফুলনিও পৰে জঁয় ব'দৰ তাপত,
ভোমোৰাও নাহে তাৰ মউ পিবলই,
সোণালী ৰহণ সানি জিলিকা ফুলেও
সূৰুযৰ পিনে চায় চকু বেঁকাকই।
ওচৰৰ বকুলৰ তলতে বহিনো
আছে সিটি কোন বাৰু হাঁহো হাঁহো কৰি ?
মাটিত পৰিছে আ'হু ৰিহাৰ আঁচল
নিপোটল সুগঠন দেৱী ৰূপ ধৰি।
আলেখে আলেখে আহি সিফালৰ পৰা,
ধ'ৰলেহি চকুজুৰি কোনেনো মুদাই ?
ততালিকে ক'লে তেওঁ,—"চিনিছোঁ চিনিছোঁ,
পালোঁ গম লুকোৱাৰ একো কাম নাই।"
এই বুলি দুয়োজন দেখা দে'খি হ'ল,
দুইৰো মিচিকা হাঁহি মিহলি পৰিল ;—
সূৰ্য্যই খাইছে চুমা মুকলি ফুলক,
কেউপিনে প্ৰফুল্লিত চুমাবে ভৰিল।

বুলিলে পিচত,—"তুমি ফুলনি মাজত,
চন্দ্ৰৰ দৰেৰে হাহি আছিলাহি বহি,
মই আহি ৰাহুৰূপে গ্ৰাসিলোঁ ই শোভা,
তোমাৰ বিচ্ছেদৰ দুখ তিলেকো নসহি।"
"নহয় নহয়,"—বুলি কৰিলে উত্তৰ,—
"আছিলোঁ প্ৰতিমা মাথোঁ প্ৰকৃতি ৰাজ্যত,
তুমি আহি হৃদয়ত অৱস্থান কৰি,
কৰিলা প্ৰতিষ্ঠা মোক দেৱী আসনত।"

জোনবাই।

—:০০:—

চোঁৱাচোঁ' উঠিছে নীল আকাশত
জেউতি জোনৰ গাৰ;
তলত জানৰ নিৰ্ম্মল পানীত
পৰিছে ছাঁয়াটি তাৰ।
কিয়নো নাচিছে কেউপিনে বেৰি
নক্ষত্ৰ সকলে তাত,—

মাজত কুঁৱৰী জোন আছে বহি
শুৱাই ৰাণীৰ পাট
বায়ু সাগৰত ওপঙ্গি ফুৰিছে
নিয়ৰ কণিকা জৰি,
ৰিণিকি ৰিণিকি জিলিকিছে চোৱাঁ
ৰূপালী কিৰণ পৰি।
বাকিছে নিজৰ অমিয়া কিৰণ
জগত বোৱাই ঢালি,
ব্যাপিছে সকলো বন, উপবন,
পৰ্ব্বত, সাগৰ, বালি।
ইফালে সিফালে বায়ুৰ লগতো
ৰঙ্গচুৰা বগা পাহি,
গছে গছে চোৱা তাৰে ফিৰিঙ্গটি
পৰিছে উফৰি আহি।
যেন জোনবায়ে পোহৰ স্বৰূপে
সকলোতে নিজে পৰি,
কৰিছে চেনেহ জড় জগতক
সাদৰে সাৱটি ধৰি।

কেতেকী

—ঃঃ—

নতুন বছৰ নতুন লগৰী
আহিলি কেতেকী তই,
লগত বসন্ত, মুখত 'কেতেকী'
গধূলি মলয়া বয়।
মাজে মাজে তোৰ 'কেতেকী কেতেকী'
হাবিৰ মাজত শুনি
শুৱলা মাতত মোহ লাগি মই
থাকোঁ কত কথা গুণি।
তয়েই কেতেকী, বসন্ত জীয়াৰী,
প্ৰকৃতি দেৱীৰ কবি,
মউ সনা মাত শুনোচোঁ এবাৰ
ডালত থন্তেক ৰবি।
বৰষিছে তোৰ অমিয়া মাতত
বাৰেবে প্ৰেমৰ ৰস,
কেউ পিনে শুনো তোৰ নাম গীত
বত্তাহতো তোৰে যশ।

ইন্দ্ৰিয় হৰিলে জীয়েৰক তোৰ
বিচাৰ প্ৰবন্ধে তই,
পৰ্ব্বত কাঠনি সকলোতে ফুৰ
নকৰ কাল'কো ভয়।
নিমাত হাবিত স্বৰ ধৰি তই
যেতিয়া শুনাবি গীত,
কাণ পাতি মই থাকোঁ শুনি তাত
তোতেই সমৰ্পি চিত।
কিয়নো কেতেকী, মাজে মাজে তই
দেখাদি পলাই যাব
বসন্ত দেবীৰ কোলাত বহিহে
সুমধুৰ গীত গাব ?
গোটেই বছৰ শুনাবিচোঁ' মোক
'কেতেকী কেতেকী' মাত,
সাদৰেৰে মই হেঁপাহ গুচাই
শুনিম নিবলে তাত।

ভাৰত জননী।

—:০:—

হিমালয় অঞ্চলত প্ৰকৃতি কানন,—
আছে শোভি ফলে ফুলে নানা তৰহৰ,
সদাই বলিছে তাত কোমল বতাহ
আছে য'ত সুখ স্থান ইহ জগতৰ।

ইথানত আছে বহি ভাৰত জননী,—
সন্তান সকলে যাৰ শোভিছে কোলাত,
দুহাতে ধৰিছে তেওঁ সবাকো সাৱটি
লভিছে সন্তোষ আজি যাৰ যশস্যাত।

কৰিছে চেনেহ তেওঁ সমান সাদৰে,
ওচৰ চপাই ধৰি বুকৰ কোষত,
লাহে লাহে সকলোকে বুলিছে বচন,
সাদৰি বুজনি মেলি অপাৰ সুখত।

"শুনা আজি বোপাইঁত, শুনা কাণ পাতি,—
নকৰিবা বিসম্বাদ সকলো সমান,
উমলিবা একে লগে, গাবা একে সুৰে,
নাচিবা কেউটি মিলি ধৰি একে টান।

"পাহৰা এতিয়া আৰু বেলেগ স্বভাৱ
সহোদৰ বুলি আজি হোৱা পৰিচিত,
ধৰা ধৰা আকোৱালি ইটিয়ে সিটিক,
একেলগ হই সাধা আপোনাৰ হিত।"

উমানন্দ।

—ঃ০ঃ—

মুকুলি পদুম-চকা পাতৰ থোৰত,
উমানন্দ, জয়ধ্বজা প্ৰাগ-জ্যোতিষৰ—
প্ৰকাশিছে চোৱাঁ সেই নইৰ গৰ্ভত
দুপিনে দুধাৰি বোৱা ৰূপালী সোঁতৰ।

উটি অহা ঢউ বোৰ সোঁতৰ লগত,
শিলত ঠেকেছা খাই কোৱেবে উলটি,
তিৰ-বিৰ কৰি আহি দীঘল হাতেৰে,
লৰ মাৰি গুচি যায় সোঁতকে সাৱটি!

কপালত বগা.ফোঁট, গছৰ মেখেলা,
মূৰৰ কিৰীটি যাৰ বতাহে কোবায়,

কঁকালৰ কৰধনি শিলৰ ৰেখাৰে,—
ৰৰনৈয়ে যাৰ পাৰ সেৱা কৰি যায়।

একে থিৰে আছা চাই কামাখ্যাৰ পিনে,
দুপিনে দুশাৰী ওখ শিলৰ পৰ্ব্বত,
নাচিছে খোপাত পিন্ধি প্ৰকৃতিৰ ফুল,
সকলোৰে বেৰি যেন তোমাকে মাজত।

মানুহ।

—ঃ*ঃ—

(১)

আত্মাৰ বসতি ঘৰ তোমাৰ শৰীৰ,—
যিটি দেহ ধূলী, মাটি, পানীৰে সাজিছে;
আত্মা হ'লে ঈশ্বৰৰ নিজা পাৰিষদ,
দুটি বিপৰীত গুণ তোমাত থাপিছে।

দেহত অসাৰ তুমি মাটি হ'বা যদি,
গুণত চাপিছা হ'লে কোষ ঈশ্বৰৰ,
প্ৰেম, দান, দয়া, ধৰ্ম্ম, মৰম তোমাৰ;
নিত্য-অনিত্যৰ তুমি কুটুম মাজৰ।

(২)

চিন্তাৰ শকতিধাৰী প্ৰেমৰ বাহন,
কত শত গুণে আজি তোমাত শোভিছে !
গাত বহু অলঙ্কাৰে নিসাঙ্ক কৰিছে,
চিন্তা গুণ অনুৰূপ তোমাৰ গঠন ।

তোমাৰ সন্তান তুমি—তোমাৰে আভাস,—
একে কায় একে মন থাপিত কাৰণে,
মতা-বোলা ভবা-কৰা একে, একে গুণে,
মনৰ সুবিধা মতে দেহৰ বিকাশ ।

যতমান জন্তু তুমি দেখিছা আগত
আকৃতিৰ অনুসৰি মন গাইপতি,—
যেনে মন তেনে দেহ, তেনে পৰ্কিতি,
সকলো সমিল-মিল একেটি বলত !
আহিব এদিন হ'ব নৱ-বিকাশত,
আচৰিত বহু অঙ্গ তোমাৰ দেহত ।



আত্মা ।

—ঃ০ঃ—

সুকোমল হৃদয়ৰ অন্তিম মাজত
নাচিব লাগিছে কোনে ইমান হৰিষে ?
উতঙ্গাই দিছা কিয় প্ৰাণৰ হেঁপাহ,—
বলিব লাগিছে যাৰ বায়ু দশোদিশে ।
সাজিছা নতুন মায়া, নতুন জগত,
দেখোঁতে অকণমানি বহল থলীত
তুমিয়েনে ৰজা এনে জ্ঞান স্বৰগৰ,—
অনুপম শোভা যাৰ দেখা পৃথিবীত ?
পালিছা সংসাৰ ৰাজ্য অসীম সুখেৰে,
ঢালিছা প্ৰেমৰ ৰস পৃথিৱী বোৱাই,
অপকৰ্ম্ম দেখি হোৱা দেহৰ আঁতৰ,
তোমাত অলপো সাংসাৰীক পাপ নাই ।
যথাৰ্থ ঈশ্বৰ তুমি, দেহৰ গৰাকী !
তোমাৰেহে অন্তৰত আছে অধিকাৰ ;
তুমিয়েই দিছা বাট-পথ দেখুৱাই
আঁতৰাই দিছা মোৰ সংসাৰ-নিকাৰ ।

আশা।

—ঃ০✽০ঃ—

(১)

আকোলি নোপোৱা মন আশাৰ মন্দিৰ,—
তাতে বাস কৰে আশা দেৱী ৰূপ ধৰি ;
উচটাই দিয়ে যদি মন, থন্তেকতে
পকুৱা পিশাচে ফুৰে লটি-ঘটি কৰি।
বাঁহনি জেওঁনি নাই একোৰে বিচাৰ,
আঁচোৰ-পিচোৰ খাই ফুৰে সকলোতে ;
যেতিয়া পুৱাব ৰাতি এৰিব পিশাচে,
ওলাবহি আপোনাৰ ঘৰ একেচাতে।

(২)

ধনে জনে কেউপিনে যাৰ বই যায়
আশা তাৰ অন্তৰত ওপচে সিমানে,
আশাধাৰী প্ৰাণী বুলি সকলোৰে কয়,
হ'ল বুলি কেতিয়াও আশাই নেমানে।
দুখীয়াৰ আশা সুখ, সুখৰ মানত,
মানৰ বিদ্যাত আশা, বিদ্যাৰ গুণত,

গুণত জ্ঞানত আশা, জ্ঞানৰ অন্তত,
ডুডালি শিকলি কাল আগত লগত
আশাই সঙ্গুৰি তাতে বাখিছে ছুয়োক,
মুকলিলে ছিগি ভাগি হ'ব থান থান,
জীৱনত সুখ গুচি পাব মাথোঁ শোক।
আশাই জলাই দিছে উদগনি শলা,
তাৰে সাহ পাই আমি এটি দুটি কই
আগুৱাই দিওঁ খোজ নিজ কামলই।

ফুলক।

—:০:—

কালি সন্ধিয়া বেলিকা
পাতৰ মাজত থকা সক কলিটি,
আজি দেখিলোঁ এতিয়া
ৰূপে ভৰা ফুলি থকা সক হাঁহিটি,
কালি দেখি ভাল পাই,
আনো বুলি বোজা নাই,
এবেলি চকুৱে চাই *,

লভিছিলোঁ৷ মৰমৰ বুজনি এটি,
নাছিল ছিডিম মোৰ ভাব এনেটি।
আজি দেখি মন মোৰ
চাপি যাব খোজে তোৰ,—
খোজে আজি হব চোৰ,—
কোৰলই ছিঙি আনি তোৰ হাঁহিটি,
মিহলাই তোৰ মোৰ হাঁহি দুয়োটি।
দূৰ দাঙি দেখা পাওঁ
য'লকেৰা গুচি যাওঁ,
লুকালেও গম পাওঁ
ৰতাহত বিয়াপোতে তোৰ গোন্ধটি;
তোৰ বিনে মোৰ আশা নাই একোটি।

তৰা।

নেলাগে নেলাগে তুমি ওচৰ চাপিব,
চাৰা মোক নিলগৰে পৰা,
মোক দেখি লৰ মাৰি নেলাগে আহিব,
একোটি ভুমুকি যদি মাৰা।

আঁতৰত কিবা এটি আছে প্ৰকৃতিৰ
মনহৰা মোহিনী শকতি,—
পৰ্ব্বতো সমান দেখি যদি দূৰণিৰ,
ওচৰত ভিন গঢ়-গতি ।

পুৱাৰ ব'দৰ মই গছৰ আৰত
জিলিকনি দেখি ভাল পাওঁ
তুপৰীয়া দেখোঁ যদি মূৰৰ কোষত,
ততালিকে ভিতৰ সোমাওঁ ।

সেইদৰে আঁতৰতে তোমাক দেখিলে
ভাল লাগে মোৰ অন্তৰত,
নিলগৰে পৰা মোত চেনেহ ঢালিলে
নাচোঁ মই তোমাৰে লগত ।

মহত্ব উদাৰ গুণে নানা দেশ ভেদি
বিদেশতো খিয়াতি বোৱায়,
নোৱাৰে নোৱাৰে দোষে ব্যৱধান ভেদি
বিয়াপিব এশ ভাগো ঠাই ।

সুখভেই থাকা তুমি আকাশৰ গাত,
মোক মাথোঁ চাবা একোবেলি,

তেনেহ'লে মোৰ প্ৰেম নকমে তোমাত,
দেখুৱাবা বিশ্ব হিয়া মেলি।
নিয়ৰৰ মাজে দেখি পুৱা জোনবাই
শৰতৰ আদি সময়ত,
যেনি তেনি গই থাকোঁ তাকে মাথোঁ চাই,
ভাগৰো নেলাগে শৰীৰত।
সেইদৰে আঁতৰত তোমাকোঁ দেখিলে
চাই থাকিবৰে মন যায়,
ৰিণি ৰিণি সৰু মাত তোমাৰ শুনিলে
শুনিও হেঁপাহ নপলায়।
ভাল পাওঁ মাজে মাজে তোমাক দেখিলে
সদাই নেলাগে চাবলই,
দিনত লুকাই থাকি নিশা দেখা দিলে
ভক্তি মোৰ বাঢ়ে তোমালই।
নোহোৱা অকল তুমি মোৰ অন্তৰৰ
শান্তি দিয়া স্বৰগৰ বাণী,
তোমাৰ সুখত সুখী এই জগতৰ
জীৱ থকা যত বিশ্ব প্ৰাণী।

ঊষা।

—ঃ০ঃ—

তুমিয়েনে তাহানিৰ বথানা বেদত
আকাশৰ মূৰ্ত্তিমযী ঊষা,—
আন্ধাৰৰ ছাঁয়া পৰি শেঁতা পোহৰত
মিহলোৱা দিন আৰু নিশা।
কেবা দিনো থাকি তুমি একে ভাৱ ধৰি
মোহিছিলা ঋষিৰ মনকো,—
ঊৰ্ব্বশীয়ে নোৱাৰিলে যাকো ছল কৰি
তুমি দেৱি জিনিছিলা তাকো।
তুমিয়েনে কপালৰ দৰে আকাশত
জ্বান দিয়া সোণালী দেহৰ ;—
বঙ্গা-পকৱাৰ দৰে ক'লা-সাগৰত
ৰিণি ৰিণি ৰিৰিঙ্গে পোহৰ।
নিশ'-ওৰণীৰ মাজে দিনৰ মুখৰ
তুমি ঊষা জিলিকা জেউতি,
বাঙ্গলী তৰাবে লোৱা ফোঁট কপালৰ,—
নিশা দিন মিহলি হুয়োটি।

ভুমিয়েনে ঊষা দেৱি,—বাণৰ জীয়াৰী,—
চিত্ৰলেখা নিজে শক্তি আই ;
নিজা কোন বাচি লোৱা এটি এটি কৰি
আঁকি থোৱা তৰামথি চাই।
ঊষাই কেৱলে মাথোঁ অনিৰুদ্ধকেহে
জিনিছিলে আপোন গুণেৰে,
আকাশত সকলোৰে ভুমি দেহে দেহে
যোৱা লীন আবৰি নিজেৰে।
আমাৰ এতিয়া ভুমি নতুন যুগৰ
আশাৰ একেটা মাথোঁ পুলি,
এখনি ডাঙৰ দেশ পূব-আকাশৰ
আছে আজি তোমাল'ক বুলি।
পৰ্ব্বতৰ কেউপিনে সমান ভাৱেৰে
দিষা দেই তোমাৰ পোহৰ,
যদিও কোমল ঊষা একেটি হাতেৰে
সাধা হিত বিধৱা দেশৰ।

বন্ধুলৈ।

"তোনাৰ্থিত্বং ত্বয়ি বিধিবশাদ্ দূৰবন্ধুর্গতোহং"

বাহিৰে অমিল কত সক ঘটনাই
আগৰ পুৰণি কথা মনত পেলায় ;
জীৱনৰ একো খেন ইমান সুখৰ,
পিচতো ভাবিলে শান্তি ওপজে মনৰ।
তেনেকুৱা এটি মোৰ সুখৰ সপোনে
কৰিছে ব্যাকুল আজি তোমাৰ কাৰণে,—
ধূলিলৈ দুয়ো আমি খেমালি কৰিলোঁ,
বয়সতো বহুদিন দুয়ো ফুৰিছিলোঁ।
ক'ব খোজোঁ মোৰ স্নেহ তোমাৰ কোষত,
কিন্তু তুমি আছা আজি বহু আঁতৰত ;
থলোঁ মোৰ কথাষাৰি শূন্য আকাশত,
পৃথিৱীয়ে খন্তেকতে পাবহি পাকত।
ততালিকে পাব তুমি বুজি-সজি ল'বা ;
হে বতাহ, নিনি তুমি তাতে যেন থ'বা।

নব জীৱন।

—ঃ০ঃ—

পুৰনি কালৰ গতি
ক'ৰবাতে পৰি ৰ'ল
নতুন আশাৰে আজি
জীৱন জনম হ'ল।
সুখ সৌভাগ্যৰ আশা
কৰিবলগীয়া নাই,
থিয় দিবলকে কিন্তু
লাগে এডুখৰি ঠাই।
খেনে খেনে জীৱনৰ
সলনি হইছে মোট,
তাৰ লগে লগে বয়
আশাৰ এসোঁতা সোঁত।
নিজৰ মনৰ আৰু
ঈশ্বৰৰ আজ্ঞা পালি
কৰ্ত্তব্য, দেশৰ বাবে
প্ৰাণ মন দিয়া ঢালি।

দেহ আৰু মন।

—ঃ০ঃ—

ফুল হ'লে গোন্ধ তাৰ লগে লগে যায়,
ফুলৰ বাহিৰে ক'তো অৱস্থিতি নাই;
গোন্ধে ফুলে একে মুঠে বেলেগ বিকাশ,
প্ৰধান নহয় কেওঁ—পৰস্পৰে দাস।
সেই দৰে মন—চিন্তা, অনুভৱ গুণ—
দেহৰে লগৰ কিবা ওপৰঞ্চি ধুন,
ছুয়ো ছুয়োটিৰ বশ, কাৰো হলে নাই
প্ৰকৃতিৰ বাহিৰেদি পলাবৰ ঠাই।
বিবিধ গুণৰ পৰা নৱ গুণ হয়,—
উচিত স্থানত মনে নিজে জন্ম লয়।
মাটিৰে এবিধ পোক মাটিতে টুকায়,
সৰচাই ছুখ কৰা মিছাৰ সকায়।
প্ৰকৃতিৰ গতি চাই নিয়ম পালিম,
সেই বুলি কাৰো গাত ঠেলা নেমাৰিম।

প্ৰাণ।

প্ৰাণ মোৰ, আজিল'কে তোমাক নেজানো,
দুয়ো হ'লে এৰা এৰি হ'ম বুলি মানো ;
ক'তনো কেতিয়া লগ পালোঁ কেনেকই
নজনা স্বীকাৰ কৰোঁ আজিল'কো মই।
প্ৰাণ, আমি বহুদিন একে লগে আছোঁ ;
বৰষিলে মন মাৰি ব'দত নাচিছোঁ ;
এৰি গুচি যোৱা টান বন্ধু মৰমিয়া'—
সৰিব চকুৰ পানী, এটি হুমুনিয়া' ;—
কাল বুজি মোক হ'লে একোকে নকই
যাবা তুমি চোৰ যোৱা দৰে লাহেকই ;
নক'বা বিদায় বাণী—পালে স্বৰগত
আদৰিবা মিলনৰ প্ৰীতি বচনত।



নৈ।

—ঃ০ঃ—

ঘুৰিপকি পথাৰৰ মাজে বোৱা নই,
যুৱতীৰ দৰে ধৰ্ম্মী চালে গুণলই ;
নিবল সবল ভাৱে মনে মনে যায়,
সংসাৰৰ লীলা খেলা গোন্ধকো নেপায়।
নিৰজু—তথাপি কিন্তু প্ৰৱল বোৱত,
যায় হ'লে নিৰ্দ্ধাৰিত জীৱনি পথত।
ধুনে গুণে সেয়ে ভাল যিহকেৰা কৰে,
লোকেৰো মঙ্গল বাঞ্ছি লভে সকলোৰে।
পৱিত্ৰ অন্তৰ যাৰ দাপোণৰ দৰে।
স্বৰগৰ প্ৰতিবিম্ব তাতে আহি পৰে।

—

সৰস্বতী।

—ঃ০❋০ঃ—

কৱিতা কল্পনা শোভা লালণ্য মাধুৰী
সকলোৰে একে লগে মিলন তোমাত ;
বাহিৰে দেহত তুমি কলা ৰূপ ধৰি
ভিতৰ পৱিত্ৰ কোৱা অস্ফুট ভাষাত।

যথাৰ্থতে পদুমেহে তোমাৰ বাহন,
—পদুমো কোমল দেখি তুমিও কোমল ;—
য'ৰ পৰা বীণা গীত কৰা বৰিষণ
সানি তাত কবিতাৰ বিন্দু নিৰমল।

ভোমোৰা বিলাক যায় চুমিবৰ মনে
পদুমৰ ওপৰৰ তোমাৰ চৰণ,
ভোমোৰা নহয় দেখি পূৰ্ব্ব কবিগণে
গুণ্ গুণ্ কবিতাৰে কৰিছে বন্দন।

বসন্ত, যৌৱন দুয়ো সদাই তোমাত
আছে একদৰে ; আদি বায়ু বসন্তৰ
প্ৰথমে ওলায় আহি তোমাৰ পূজাত,—
ফল, ফুল, কুলি-মাত তোমাৰ লগৰ।

নিশ্চয় কঠুৱা তেওঁ যিজনে তোমাক
মাটিৰে নিৰ্ম্মাণি পূজে সুবুজা ভাষাৰে ;
কল্পনাৰে সাজি লই তযু প্ৰতিমাক।
ভক্তিৰে পূজিম দেখি ঘকৰা কথাৰে।

পানীয়ে ভিতৰ খনি শীতল কৰিছে
নপৰে পদুম জঁয় ৰ'দৰ তাপত,—

তোমাৰ কৰুণা ৰূপ শান্তি গুণ পালে
নেপায় যাতনা কেৰেঁ লক্ষ্মীৰ কোপত।

শেহানিশা।

গ'ল নিশা শুলোঁ মই কুলিৰ মাতত,
তাকে শুনি থাকোঁতেই টোপনি আহিল,
শেহ নিশা সাৰ পাই শুনো আকাশত
বাজি আছে কুলি-মাত, টোপনি নাহিল।
আহিলোঁ ওলাই, দেখো চৰিছে জেউতি
আকাশত চন্দ্ৰমাৰ তৰাৰ মাজত;
পোহৰে শিমলু গছ ধৰিছে সাৰতি,—
চুইছে আকাশ যেন দীঘলী আগত।
পথাৰত ৰবৰুণ হই বোৱা পানী
জিলিকিছে তিৰবিৰ জুৰ পোহৰত,
ভগা আলিয়েদি বোৱা কুল কুল ধ্বনি
লাগিছে স্বৰ্গীয়-যেন নিশাৰ কাণত;

মোহ গ'ই ব'লো মই নিবল ভাবেৰে,—
পুব পিনে দেখা দিলে পুৱাব পোহৰে।

দিনৰ সপোন।

—:০০:—

দুপৰীয়া খাই উঠি আধা-টোপনিত,
দেখিছিলোঁ আঁক-বাঁক ব'দ কাঁচলিত ;
ভাবিছিলোঁ কত কিনো আগম পুৰাণ
ভাবোঁতে ভাবোতে যেন আধা-সপোনত,
দেখিলোঁ এখনি শক নই পথাৰত
পাৰত বিৰিণা, পানী ফটিকৰ মান,—
পথাৰত বৰ-পানী আহি ধুই নিয়া,
আছে চিন পচুমৰ শুকান পাতত ;
ওথ এটি টিঙ্গনাত দেখিলোঁ মাজত
এটি ৰূপ এনে ৰূপ দেখা নাইকিয়া।
অলঙ্কাৰ নাই বুলি অশোক বনত
সীতাৰ সমান ৰূপ, গঠন দেহৰ
পৃথকাৰ নোৱাৰিলোঁ পৰা ৰত্তাহৰ,—
তাতেই মিহলি হ'ল চকু মেলিলত।

পুৱাৰ জগত।

—ঃ০০ঃ—

শুই উঠি চাও গই বাহিৰৰ পৰা
  পচিমত মাৰ যায় ৰোহিণীৰ জ্যোতি,
এফালে আন্ধাৰ আৰু ইফালে পোহৰ,
  জিলিকিছে ওপৰত সৰু তৰা এটি !
উঠিল পূৱত এটি হাঁহিৰ উৰুমি—
  শুই উঠা মানুহৰ মাতেৰে মিহলি,
পচিমত সন্ধ্যা সৰু চৰাইবিলাকে
  পোহৰ আহিব বুলি মাৰিছে কিৰীলি।
আনিছে বতাহে এটি মন মোহা গোন্ধ
  সাধু-সঙ্গ লই অহা মানুহৰ দৰে,
নাইৰা ফুলক চুমি শৰতৰ বায়ু
  আহিছে প্ৰণয় গোন্ধ লই হেঁপাহেৰে।
এই দৰে তুমি মোৰ হৃদয় আতমা
  আঁহিছিলানেকি লই অসীম শকতি,
পাইছিলোঁ অন্তৰত কিবা এটি বল,
  এতিয়া লুকাল মোৰ অন্তৰত কিটি।

যদিও পুৱাৰ বেলা অতি মনোহৰ
দুপৰ হ'লেহে ধৰে মানুহে কামত ;
লৰাকাল মধুময়, অলপ পোহৰ,
চোকা ৰ'দ,—জ্ঞানজ্যোতি লভিম মনত।

হেৰোৱা লাহৰী।

—ঃ*ঃ—

কত আশা ৰ'ই গ'ল হিয়াৰ মাজত,
কত কথা ক'বলই থাকিল মনত,
থাকিল কতনো মোৰ কথা হেঁপাহৰ,
থাকিল সকলো কথা তোমাৰ লগৰ ;—
কেৱল লুকালা তুমি চকুৰ আগত,
বিৰাজিছা পূৰ্ণ ভাবে কিন্তু হৃদয়ত।
যিদিনা লভিলোঁ মই তোমাৰ অন্তৰ,
ভাবিলোঁ নিজকে নিজে ভাগ্যবন্ত বুলি ;
সকলো আশাৰ মোৰ সুখৰ মাজত,
অৰ্পিছিলোঁ প্ৰাণ মন তোমাতে সমূলি ;

যি মৰম থাকি গ'ল তোমাৰ মৰ্ত্ত্যত
চিৰকাল গোন্ধ তাৰ পাম বতাহত।

তুমি কৰা কামবোৰ ৰাখিম আবৰি
কৰিম যতন তাত প্ৰাণপণে মই,
উচৰ্গিম সোঁৱৰাণী বুলি তোমালই,
সকলোৰে গাব গীত তোমাক সুঁৱৰি ;
সকলো থাকিল, আছিছিলা যেনেকই
সংসাৰৰ পৰা তুমি গ'লা তেনেকই।

গধূলি বেলিকা য'ত তুমি ফুৰিছিলা,
য'ৰ পৰা ফুল তুলি তুমি পিন্ধিছিলা,
সকলো এতিয়া আছে তুমি মাথোঁ নাই—
য'তে ত'তে তোমাৰেই চিনকেহে পায় ;
য'তে হাত পৰিছিল তোমাৰ সাদৰি,
অনুভৱ কৰোঁ সুখ তাকে আজি ধৰি।

তোমাৰ দেহৰ গঢ় মন পাহৰোৰা,
এতিয়াও দেখোঁ যেন চকুৰ আগতে,
এতিয়াও কল্পনাৰে দেখিছোঁ তোমাক
যথাৰ্থতে তুমি কিন্তু নাই জগততে।

সকলো থাকিব তুমি যাবা অকলই,
নহয় সম্ভৱ এনে, আহাঁ কোঁষলই।

আছা তুমি, যোৱা নাই ক'লকো, ইয়াতে,
কৰিছা প্ৰমাণ মাথোঁ মোৰ মৰমৰ,
নেলাগে ইমান তুমি কৰিব যতন
মেলি দিওঁ হিয়া খান চোৱাঁ সাদৰৰ;
হঠাতে মূৰত দেখোঁ তপত লাগিল,—
তুমি নাই কথাষাৰি হিয়াত বাজিল।

আকাশৰ চন্দ্ৰমাত তোমাৰ লোচন
পৰিছিল সিও আজি আছে একেদৰে,
মোৰো তাতে চকুজুৰি পৰিছে এতিয়া
মিলিছে নয়ন মোৰো এতেকে তোমাৰে;
জীয়াই থাকোঁতে তুমি শোভিছিলা য'ত,
তোমাৰ বিহনে আজি আছোঁ মই ত'ত।

আগৰ দৰেই আছে গোটেই সংসাৰ
ইাহি মাতি কথাকই নাই দুখ শোক,
ভৰি আছে ফলে ফুলে সমস্ত জগত,
হেৰুৱালোঁ হৃদয়ৰ ফুলটি,—তোমাক।

গ'লা তুমি, গ'লা গুচি নেভাবিলা মোৰ
তুমি অবিহনে শোক নপৰিব ওৰ ।

জীৱ জন্তু সকলোৱে চৰিছে ৰঙ্গত,
মানুহে কৰিছে নিজ কাম আলোচনা,
চৰায়ে গাইছে গীত ফুলনিত পৰি,
কুলিয়ে টানিছে ৰাগ পঞ্চ-স্বৰ ধৰি ;
ময়েনে তোমাৰ মুঠে অভাব বুজিম—
ময়েনে কেৱলে শোক তোমাৰ ভুগিম ?

যেতিয়া বসন্ত দেৱী আপুনি লুকাব,
গছৰ গোলাপ ফুল গছতে শুকাব,
বিলত পদুম ফুলি তাতে মাৰ যাব,
চৰায়ে সঙ্গীত এৰি নিতাল মাৰিব,
তেতিয়াহে তোমালই পাহৰিম মই
তেহে মোৰ তাঁৰ গছি গাতে পাব লয় ।

নুশুনিম, শেহ নিশা ফেঁচাৰ কুৰুলি,
শুভ দিন উৎসৱত পৱিত্ৰ উৰুলি ;
নপৰিব জুৰ লগা চন্দ্ৰৰ. কিৰণ,
নব'ব সন্ধিয়া আৰু মলয় পৱন ;

মাৰ গ'ল সিসকল তোমাৰ লগত,
এতেকে নেপাম আৰু এই জগতত।

ওপৰত নক্ষত্ৰৰ চকু-পিৰিকনি,
তলত আকৃতি তাৰ জোনাকী পৰুৱা
সকলোৱে পোহৰাব কৃষ্ণ-পক্ষ নিশা,
বন্তিয়ে পোহৰ দিব আন্ধাৰ ঘৰুৱা ;
মোৰ কিন্তু অন্তৰত চিৰ নিশা হ'ল,
কৃষ্ণ পক্ষ নিশা তুয়ো চিৰকাল ৰ'ল।

আগেয়ে যাওঁতে যদি কিবা এটি শুনো,
তুমি আছিছানে বুলি ঘূৰি-পকি চাওঁ,—
এতিয়াও শুনো যদি ক'ৰবাত মই
খন্তেক আগৰ কাল ঘূৰুৱাই পাওঁ ;
যেতিয়া বিৰহ দুখ পৰিব মনত
দুগুণে বেজাৰ জ্বলি উঠে অন্তৰত।

নাই মোৰ জীৱনত একো কাম নাই,
অবাজক হিয়া মোৰ নথকাত পাণী ;
পুৱা উঠি সন্ধ্যা বেলা তুমি অস্ত গ'লা
নিয়ৰ স্বৰূপে মই টোকোঁ চকু-পানী ;

কান্দ কান্দি নিশা ভোগোঁ অশেষ দুখেৰে,
পিচ দিনা স্বৰগত মিলিম তোমাৰে।
নিষ্ফল জীৱন মোৰ, নকৰোঁ বিনাশ,
সন্ন্যাসী স্বৰূপে গাম তোমাৰ কীৰ্ত্তন,
নগৰে নগৰে গাম বীণাৰ সুৰত,—
প্ৰকাশিম পুণ্যময় প্ৰেমৰ জীৱন,
ততোকই, প্ৰকাশিম তোমাৰ মহিমা,
তোমাৰ নামেৰে গীত ৰচিম অসীমা।

বিদায়।

—:০:—

বই যোৱা, গই থাকা, চেচাঁ পানীধাৰি,
সাগৰত কৰ দিয়া গই,
তোমাৰ পাৰত মোৰ নপৰিব ভৰি
কেতিয়াও চিৰকাললই।
লাহে লাহে বই যোৱা পথাৰে-সমাৰে,
জান গুচি হোৱা গই নই,

মুকুৰোঁ তোমাৰ আহি এই পাৰে পাৰে
কেতিয়াও চিৰকাললই।
নল গজি হুমুনিয়া' ইয়াতে পেলাব,
বিৰিণা কঁপিব ৰই ৰই,
ভোমোৰায়ো আহি নানা গীত-মাত গাব
পাৰেমানে চিৰকাললই।
হেজাৰ সূৰুয ব'ব তোমাৰ দেহত,
নাচিবও হেজাৰ চন্দ্ৰইৰ,
নপৰিব ভৰি মোৰ তোমাৰ পাৰত
কেতিয়াও চিৰকাললই।

কবিতা।

—:০:—

মানুহৰ চিন্তা আৰু কল্পনা গছত
ফুলা তুমি এপাহি গোলাপ,
ৰঙো আছে, গোন্ধো আছে, তিতা নিয়ৰত,
পৰা জঁয় যদি পোৱা তাপ।

চুমিলে তোমাতো পায় সেই একেঁদৰে
ফুলৰ সোৱাদ লগা মউ ;
সুখ, শান্তি, ভূঁইকঁপ, ধুমুহা, তাপেৰে,
হিয়াৰ মাজত তোলা ঢউ।

হৃদয়ৰ অন্তৰৰ সৰু তাঁৰ গছি
কথমপি তুমিহে লৰোৱা,
ফেঁকুৰী নেমাতি একো, চকু-পানী মচি
হৃদয়ৰ আবেগ বুজোৱা।

বহু আঁতৰত থকা তৰাটিৰ দৰে
সৰু বুলি জ্বলন্ত পোহৰ,
দীঘল বুৰঞ্জী এটি কোৱা তাৰে দৰে
—ক্ষুদ্ৰকায় কথাৰ সাগৰ।

মানুহৰ শকতিৰ তুমি ওখ ঠাই,
হিয়া মন জুৰায় তোমাত
দুখ এৰি, খণ্ড এৰি কেঁচুৱা লৰাই
শোৱে যেনে মাকৰ কোলাত।

নেদেখা নুশুনা কোনো দেশ বিদেশত
কিনো হয় তুমিয়েহে কোৱা ;

কোনে ক'ত কিনো ভাবে মনৰ মাজত
জগতক তুমিহে জনোৱা।
সহিব নোৱাৰা ক'ব নোৱাৰা ভাবৰ
তুমি এটি সৰু হুমুনিয়া,
শুনিলে হিয়াত-লগা কোমল বাঁহীৰ
বতাহত মাত দীঘলীয়া।
মানুহৰ তুমি এটি পুৰণি সাহোন—
প্ৰথমেই জনম তোমাৰ ;
আছিলে, আছেও সেই মনমোহা গুণ
আজিল'কো তোমাৰ পূজাৰ।

জগন্নাথ বৰুৱা।

—ঃ০*০ঃ—

অনন্তত গ'লা লীন লীলা পৰিহৰি
আসামৰ অমূল্য যতন ;
স্বদেশ উন্নতি ৰূপ মহাব্ৰত ধৰি
কৰিছিলা অশেষ যতন।

অশোক অষ্টমী দিনা গঙ্গাৰ পাৰত
ইহলীলা সমাপন কৰি,
আমাক শোকত থই নিজে অশোকত,—
গুচি গ'লা দিব্য ৰূপ ধৰি।

নেভাবিলা বজ্ৰাঘাত মৰণ বাতৰি—
পৰিলেহি আমাৰ মূৰত,
শোকে দুখে জীৱনৰ গতি বিধি এৰি
ধৈৰ্য্য আৰু নৰ'ব মনত।

আছিলা চানেকি ৰূপ তুমি সকলোৰে,
আৰু তুমি জগতত নাই,
বিপদত চাপি গলে শুৱলা মাতেৰে
কোনে আৰু ধৰিব চপাই!

দেখুৱালা মহত্বৰ আদৰ্শ প্ৰমাণ,
দেখুৱালা শিক্ষাৰ প্ৰভাৱ,
দেখুৱালা একেলগে বিদ্যা বুদ্ধি জ্ঞান,
দেখুৱালা নিৰ্ম্মল স্বভাৱ।

দেখুৱালা শঙ্কা নাই কেনি বিপদৰ,
লক্ষ ঠাই দেখুৱাই দিলা,—

এয়েহে বেজাৰ মাথোঁ বহুত কামৰ
শেষ ফল চাব নোৱাৰিলা।
জনম প্ৰতিভা লই,—গোটেই আসাম
চলিছিলে তোমাৰ কথাত,
শুনিছিলোঁ য'তে ততে তোমাৰেহে নাম,
সকলোৰে নিৰ্ভৰ তোমাত।
ইমান দিনৰ দুখ, সংসাৰ নিকাৰ,
পোৱা কষ্ট দেশৰ কামত,
সকলো পাহৰি দেৱ, চিৰ-সাধনাৰ
শান্তি লাভ কৰা স্বৰগত।
দেৱৰ মৰম পাই মৰণ পাহৰি
থাকাগই স্বৰ্গীয় সুখত,
কেতিয়াবা কৰবাত লভিলে আজৰি
সুঁৱৰিবা আমাক মনত।
আকউ জনম লভি আমাৰ মাজত
শীৰ্ষস্থান কৰি অধিকাৰ
চলাবা আসাম দেশ, আমি-মৰমত
ভক্তি দিম দুখীয়া হিয়াৰ।

অন্ত

LAKSHMIBILAS PRESS
CALCUTTA